
বিদ্যা ভাৰতী সংবাদ
বিদ্যা ভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থানৰ সংবদ্ধ, শিশু শিক্ষা সমিতি, অসম
।। মুখপত্ৰ ।। আঠষষ্ঠিতম্ সংখ্যা, আহিন-আঘোণ, ১৯৩৭ শকাব্দ, অক্টোবৰ-ডিচেম্বৰ, ২০১৫

সম্পাদকীয়

# যুগদ্ৰষ্টা মিছাইল মেন ড° কালাম

ভাৰতৰ শ্ৰেষ্ঠ মাৰ্গদৰ্শকৰূপে পৰিগণিত হোৱা জনতাৰ ৰাষ্ট্ৰপতি মিছাইল মেন ড° এ পি জে আব্দুল কালাম ২০০২ চনৰ ২৫ জুলাইৰ পৰা ২০০৭ চনৰ ২৫ জুলাইলৈ ভাৰতৰ ৰাষ্ট্ৰপতি হিচাবে কাৰ্যনিৰ্বাহ কৰি সমগ্ৰ দেশবাসীৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল।

১৯৩১ চনত তামিলনাডুৰ ৰামেশ্বৰমৰ এটি সাধাৰণ পৰিয়ালত জন্মগ্ৰহণ কৰা কালাম স্কুলীয়া কালত মেধাবী নহ'লেও পৰৱৰ্তী সময়ত নিজৰ অধ্যৱসায়ৰ বলত অধ্যয়ন ক্ষেত্ৰত সুনাম অৰ্জন কৰিছিল। কালামৰ জীৱনৰ লক্ষ্য আছিল পাইলট হোৱাৰ। সেয়েহে তেওঁ মহাকাশ অভিযান্ত্ৰিক বিষয় অধ্যয়ন কৰিবলৈ মাদ্ৰাজলৈ যায়। কিন্তু প্ৰৱেশ পৰীক্ষাত নৱম স্থান লাভ কৰাৰ বাবে পাইলট হ'ব নোৱাৰিলে কালামে। সেইবাবেই হয়তো আমি দেশবাসীয়ে কালামক মিছাইল মেন, বিশিষ্ট মহাকাশ বিজ্ঞানী আৰু জনপ্ৰিয় ৰাষ্ট্ৰপতিৰূপে পোৱাৰ সৌভাগ্য লাভ কৰিলো।

কষ্টকৰ সংগ্ৰামৰ মাজেদি মাদ্ৰাজ ইনষ্টিটিউট অৱ টেক্‌নলজিৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি 'প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ' সন্থাত কালামে কৰ্মজীৱন আৰম্ভ কৰে। বেলিষ্টিক মিছাইল আৰু কৃত্ৰিম উপগ্ৰহ প্ৰক্ষেপণ যান প্ৰযুক্তিৰ ক্ষেত্ৰত সফলতা লাভ কৰা হেতুকে ড° কালাম 'মিছাইল মেন অৱ ইণ্ডিয়া' নামে পৰিচিত হৈ পৰে। মিছাইল মেন ড° কালামে ১৯৯৮ চনত ভাৰতৰ পাৰমাণৱিক পৰীক্ষণ পোখৰান-২ৰ সময়তো কাৰিকৰী আৰু বিভিন্ন মিছাইল বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল, বিশেষকৈ অগ্নি, পৃথিৱী আদি মিছাইল প্ৰস্তুতিত। ১৯৯২ চনৰ জুলাইৰ পৰা ১৯৯৯ চনলৈকে ডি আৰ ডিঅ'ৰ সচিব আৰু প্ৰধানমন্ত্ৰীৰ মুখ্য বিজ্ঞানী উপদেষ্টাৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। তাৰ পিছত তেওঁ ২০০২ চনৰ ২৫ জুলাইত দেশৰ একাদশসংখ্যক ৰাষ্ট্ৰপতি হিচাবে নিৰ্বাচিত হয়।

কৰ্মজীৱনৰ সফলতাৰূপে ড° কালামে লাভ কৰিছিল অসংখ্য ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটা আৰু সন্মান। ভাৰতৰ স্বপ্নদ্ৰষ্টাৰূপে ড° কালাম বিভূষিত হৈছিল সৰ্বোচ্চ 'ভাৰতৰত্ন' সন্মানেৰে। ৪০ খন বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰা ড° কালামৰ ৭৯ তম জন্ম দিৱসক ৰাষ্ট্ৰসংঘই 'ৱৰ্ল্ড ষ্টুডেণ্ট ডে' হিচাবে স্বীকৃতি দিছিল। পদ্মভূষণ আৰু পদ্মবিভূষণ সন্মানেৰে বিভূষিত ড° কালামে ২০০৫ চনত চুইজাৰলেণ্ড ভ্ৰমণ কৰা কালত দেশখনে কালামৰ সন্মানাৰ্থে ২৬ মে' দিনটো 'বিজ্ঞান দিৱস' হিচাবে পালন কৰে। ড° কালামে ৰাষ্ট্ৰীয় মহাকাশ সমিতিৰ পৰা ২০১৩ চনত 'ভন ব্ৰাউন' বঁটা লাভ কৰে। তদুপৰি মিছাইল মেন ৰূপে খ্যাতি লাভ কৰা ড° কালামে লেখক হিচাপেও কৃতিত্ব অৰ্জন কৰিছিল। ৰাষ্ট্ৰপতি হিচাপে কাৰ্যকাল সম্পূৰ্ণ কৰাৰ পাছত বিভিন্ন সমাজসেৱাৰ লগতে শৈক্ষিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ পৰিছিল। 'ইণ্ডিয়া ২০২০' শীৰ্ষক গ্ৰন্থখনৰ মাধ্যমেৰে ভাৰতবৰ্ষক শক্তিশালী আৰু উন্নয়নশীল দেশ হিচাবে গঢ়াৰ বাবে দেশবাসীক আহ্বান জনাইছিল। ইগ্‌নিটেড মাইণ্ড, উইংছ অৱ ফায়াৰ, মিছন ইণ্ডিয়া, ইনডমিটেবল স্পিৰিট, মাই জাৰ্নি আদি কেইবাখনো বিখ্যাত গ্ৰন্থৰ প্ৰণেতা ড° কালামৰ জীৱনৰ আধাৰত কেইবাখনো গ্ৰন্থ ৰচনা কৰা হৈছে। সংগীতৰ প্ৰতি ৰাপ থকা ড° কালামে অপসংস্কৃতি আৰু সামাজিক দুষ্কৃতিৰ বিৰুদ্ধে 'বিট অৱ ইণ্ডিয়ান য়ুথ' শীৰ্ষক বহুভাষিক সংগীতৰ এলবাম এটিত গীত ৰচনা কৰি সংগীত প্ৰেমীলৈ অভূতপূৰ্ব অৱদান আগবঢ়াই থৈ যায়। আত্মিক শক্তিৰে শক্তিশালী, সূক্ষ্ম অনুভূতি সম্পন্ন, দেৱদূত সদৃশ, সাধাৰণ মানুহৰ বন্ধু, শুভ চিন্তা আৰু দৃঢ় সংকল্পৰে ড° কালামে তৰুণ প্ৰজন্মক সপোন দেখিবলৈ উৎসাহিত কৰিছিল। যুৱসকলৰ সৰ্বাংগীণ বিকাশৰ বাবে ড° কালামে বিশেষকৈ জ্ঞানৰ কথা ক'বলৈ ভাল পাইছিল। তেওঁ কৈছিল জ্ঞানৰ চাৰিটা অংশ হ'ল— সৃষ্টিশীলতা, সততা, সাহস আৰু অদম্য ইচ্ছা।

মানৱতাবাদী ড° কালামে ফাঁচিৰে দণ্ডিত ২১ জন অপৰাধীৰ ২০ জনৰ ক্ষমা কৰি সমালোচিত হ'লেও ৰাষ্ট্ৰপতি হিচাপে কালাম আছিল অবিতৰ্কিত। জীৱনৰ অন্তিম ক্ষণলৈকে ড° কালাম শিক্ষাৰ লগতেই জড়িত হৈ থাকিল। শ্বিলঙৰ 'ইণ্ডিয়ান ইনষ্টিটিউট অৱ মেনেজমেণ্টত মেকিং- দ্য ৱৰ্ল্ড ফ'ৰ লাইভেবল' শীৰ্ষক বক্তৃতা প্ৰদান কৰিবলৈ আৰম্ভ কৰোতেই এইজন মহান আত্মাই দেশবাসীক শোকস্তব্ধ কৰি 'ইণ্ডিয়া ২০২০'ৰ সপোন আধৰুৱাকৈ এৰি থৈ মহাপ্ৰস্থান কৰিলে। অটুট প্ৰাণশক্তিৰে প্ৰাচুৰ্য, মহান আদৰ্শ, মানৱীয় গুণেৰে মহিমামণ্ডিত মহামানৱ মিছাইল মেন ড° কালামৰ আদৰ্শ আৰু কৰ্মৰাজিৰ মাজতে তেওঁ অমৰ হৈ থাকিব। এইজনা যুগদ্ৰষ্টা আত্মালৈ আমাৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো।

শশীপ্ৰভা দাস

শশীপ্ৰভা দাস

# ভাৰতৰ অমূল্য ৰত্ন ড° এ. পি. জে. আব্দুল কালাম

ড০ জয়কান্ত শৰ্মা

ভাৰতৰ ছাত্ৰ সমাজৰ বাবে সু-খবৰটো হ'ল, এতিয়াৰে পৰা প্ৰতি বছৰে ১৫ অক্টোবৰ দিনটো 'বিশ্ব ছাত্ৰ দিৱস' ৰূপে উদযাপন কৰা হ'ব। সেইটো ড০ এ পি জে আব্দুল কালামৰ জন্মদিন। এইগৰাকী প্ৰখ্যাত ভাৰতীয় বিজ্ঞানীৰ জন্মদিনটো ৰাষ্ট্ৰসংঘই আন্তৰ্জাতিক ভাৱে পালন কৰিবলৈ লোৱাটো প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৌৰৱৰ কথা। পিছে ড০ কালাম এগৰাকী বিজ্ঞানীয়েই নাছিল; তেওঁ আছিল এগৰাকী চিন্তাবিদ, দাৰ্শনিক আৰু নিখুঁত পৰিকল্পনাকাৰী। ভাৰতবৰ্ষৰ সৰ্বাংগীণ বিকাশ ঘটোৱাটো তেওঁৰ মূল লক্ষ্য আছিল। **তেওঁ কৈছিল, বৰ্তমানৰ শিশু, চেমনীয়া আৰু যুৱক-যুৱতীসকলে এখন বিকশিত ভাৰতত বাস কৰাৰ সপোন দেখে। তেওঁলোকৰ বাবে বিকশিত ভাৰত গঢ়ি তোলাটো আমাৰ কৰ্তব্য।**

১৯৩১ চনৰ ১৫ অক্টোবৰ তাৰিখে তামিলনাডুৰ ৰামেশ্বৰমৰ এটা দুখীয়া মাছমৰীয়া পৰিয়ালত আবুল পাকিৰ জাইনুলাদ্দিন আব্দুল কালামৰ জন্ম হৈছিল। কালামৰ শৈশৱ অনেক ঘাত-প্ৰতিঘাতেৰে ভৰা। অভাৱ-অনাটনৰ মাজেৰে জীৱন নিৰ্বাহ কৰিবলগীয়া হোৱাত তেওঁৰ পঢ়া-শুনাৰ প্ৰতিও পৰিয়ালটোৱে চকু দিব পৰা নাছিল। পাছত কালামে স্বীকাৰ কৰিছে যে শিৱ সুব্ৰমণিয়ম নামৰ শিক্ষকগৰাকীয়ে উদগনি নিদিয়াহেঁতেন তেওঁ শিক্ষাৰ পোহৰেই নাপালেহেঁতেন। সেয়েহে কালামে নিজেও সকলো শিশুকে অধ্যয়নৰ বাবে উৎসাহ যোগাইছিল। **শিক্ষাৰ বাবে শিশুক উৎসাহ যোগোৱা শিক্ষকসকলক তেওঁ 'আৰ্হি পুৰুষ' ৰূপে গণ্য কৰিছিল।**

এবাৰ আনন্দ উন্নী নামৰ এজন ছাত্ৰই ড০ কালামক সুধি পঠিয়াইছিল— ছাত্ৰ হিচাপে মই সমাজলৈ কি অৱদান আগবঢ়াব পাৰো? ড০ কালাম তেতিয়া ভাৰতৰ ৰাষ্ট্ৰপতি। তেওঁ ৰাষ্ট্ৰপতি ভৱনৰ পৰাই চিঠিখনৰ উত্তৰ দিছিল—'অধ্যয়নত আগুৱাই যোৱাটোৱেই হ'ব সমাজৰ বাবে তোমাৰ আটাইতকৈ মহৎ অৱদান।' এই উত্তৰ পাই ছাত্ৰজন অভিভূত হৈ পৰিছিল। কাৰণ ৰাষ্ট্ৰপতিয়ে এজন সাধাৰণ ছাত্ৰৰ চিঠিৰ উত্তৰ দিব পাৰে, সেইটো তেওঁ কল্পনা কৰিব পৰা নাছিল। এবাৰ গুজৰাটৰ আনন্দ নামৰ চহৰখনত অনুষ্ঠিত ছাত্ৰ সভাত তেওঁ সুধিছিল— **আমাৰ শত্ৰু কোন? প্ৰশ্নটোৰ অনেকে অনেক ধৰণে উত্তৰ দিছিল। স্নেহল থক্কৰ নামৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰী এগৰাকীয়ে উত্তৰ দিছিল,— আমাৰ শত্ৰু হ'ল দৰিদ্ৰতা।** এই উত্তৰটোৱে কালামক বৰকৈ প্ৰভাৱিত কৰিছিল। তেওঁ 'Ignited Minds' নামৰ আত্মজীৱনীমূলক গ্ৰন্থখন স্নেহল থক্কৰৰ নামত উৎসৰ্গা কৰি থৈছে।

ড০ কালামৰ প্ৰিয় সংগী আছিল শিশু, কিশোৰ-কিশোৰী আৰু ছাত্ৰ-ছাত্ৰীসকল। এইসকলৰ মাজতে সমাজ আৰু ৰাষ্ট্ৰৰ ভৱিষ্যৎ লুকাই আছে। এই শক্তিক গঠনমূলকভাৱে ৰাষ্ট্ৰ নিৰ্মাণত প্ৰয়োগ কৰাটো জ্যেষ্ঠসকলৰ কৰ্তব্য, সেইটো তেওঁ বাৰে বাৰে সোঁৱৰাই দিছিল। সেয়েহে যিকোনো সময়তে ছাত্ৰসকলে ড০ কালামক প্ৰশ্ন সুধিব পাৰিছিল; উত্তৰ দিবলৈ তেওঁৰ কোনোদিনে ভাগৰ লগা নাছিল বা সময়ৰ অভাৱ হোৱা নাছিল। এবাৰ তেজপুৰ ভ্ৰমণলৈ আহোঁতে তেওঁক এজন ছাত্ৰই সুধিছিল,— **যি সময়ত অসমত বানপানীয়ে গাঁও-ভূঁই ডুবাই পেলায়, সেই সময়ত ব্ৰহ্মপুত্ৰৰ পানী ৰাজস্থান বা তামিলনাডুলৈ বোৱাই নিব নোৱাৰিনে? সেইবোৰ ৰাজ্যত দেখোন পানীৰ নাটনি। ড০ কালামে** 'Ignited Minds' **ত লিখিছে, ছাত্ৰইহে এনে ধৰণৰ প্ৰশ্ন কৰিব পাৰে।** আমি ডাঙৰবোৰে অসম্ভৱ বুলি ভাবি থকা

কথাবোৰকো শিশু আৰু কিশোৰ-কিশোৰীয়ে সম্ভৱ কৰি তুলিববৈলে চিন্তা কৰিব পাৰে।

ৰাষ্ট্ৰপতি ভৱনত থাকিও ড০ কালামে পুৱাৰ আহাৰত খাইছিল এডোখৰ ইডলি আৰু অলপ চাহ। তেওঁ নিৰামিষ ভোজী আছিল। তেওঁ 'সহজ-সৰল জীৱন যাত্ৰা আৰু উচ্চ পৰ্যায়ৰ চিন্তা'ৰ দৰ্শনত বিশ্বাসী আছিল। ৰাষ্ট্ৰপতি হৈও ড০ কালামে শিক্ষক, ছাত্ৰ আৰু সাধাৰণ নাগৰিকক সাক্ষাৎ কৰিববৈলে এৰা নাছিল। ৰাষ্ট্ৰপতি ভৱনৰ ঐতিহাসিক মোগল গাৰ্ডেন তেওঁ শিশুসকলৰ বাবে মুকলি কৰি দিছিল। মালী, ৰান্ধনি, সুৰক্ষা কৰ্মীকে ধৰি সকলো সাধাৰণ-অসাধাৰণ কৰ্মচাৰীৰ সৈতে ৰাষ্ট্ৰপতিগৰাকীয়ে আন্তৰিক সম্পৰ্ক গঢ়ি তুলিছিল; তেওঁলোকৰ সুখ-দুখৰ খবৰ লৈছিল। কিন্তু সদায়েই তেওঁৰ মত-বিনিময়ৰ মুখ্য বিষয়টো আছিল, আগুৱাই যোৱাৰ বিষয়ে। ভাল শিক্ষা ব্যৱস্থা হ'ব লাগে, ভাল চিন্তা কৰিব লাগে আৰু নিৰ্দিষ্ট লক্ষ্যলৈ আগুৱাই যাব লাগে; এয়েই আছিল ড$^0$ কালামৰ দৃষ্টিভংগী। **যুৱ প্ৰজন্মৰ প্ৰতি তেওঁৰ আহ্বান আছিল— সপোন দেখিববৈলে আৰম্ভ কৰা, দেখিবা সপোন ফলিয়াববৈলেও আৰম্ভ কৰিছে।** এই দৃষ্টিভংগীৰে তেওঁ ২০২০ চনলৈকে ভাৰতবৰ্ষক এখন বিকশিত ৰাষ্ট্ৰ ৰূপে গঢ়ি তোলাৰ সংকল্প ল'ববৈলে আহ্বান জনাইছিল।

ভাৰতীয়সকলে আত্মবিশ্বাস গঢ়ি তোলা উচিত। এই ভাবেৰে তেওঁ কৈছিল— ভাৰতত আমি কিয় আমাৰ নিজৰ ক্ষমতা, সফলতাৰ কথা স্বীকাৰ কৰিববৈলে টান পাওঁ? আমাৰ দেশ এনেকুৱা এখন মহান দেশ, য'ত সফলতাৰ অনেক আচৰিত উদাহৰণ আছে; কিন্তু আমি সেইবোৰ জানিববৈলে মন নকৰো। আনহাতে অনেক ভাৰতীয় লোকে বিদেশলৈ গৈ সাধাৰণ নিয়ম-কানুনবোৰ সুন্দৰকৈ পালন কৰে, অথচ নিজৰ দেশত সেইবোৰ পালন কৰিববৈলে টান পায়। ভাৰতবাসীয়ে আত্মবিশ্লেষণ কৰাৰ প্ৰয়োজন হৈছে। এয়া নিজৰ বিবেকক জগাই তোলাৰ সময়।

জীৱনৰ সফলতা-বিফলতাই ড$^0$ কালামক প্ৰভাৱান্বিত কৰিব পৰা নাছিল। তেওঁ কৈছে— মই বিফলতাৰ পৰা শিকিছোঁ। **তেওঁৰ বৈমানিক হোৱাৰ ইচ্ছা সফল নহ'ল। কিন্তু তেওঁ ভাৰতৰ 'ক্ষেপণাস্ত্ৰ পুৰুষ' (Missile Man) বুলি জনাজাত হ'ল। মহাকাশত উপগ্ৰহ স্থাপন আৰু অগ্নি, আকাশ, পৃথ্বি, নাগ, ব্ৰাহ্মছ আদিৰ দৰে অত্যাধুনিক ক্ষেপণাস্ত্ৰ নিৰ্মাণত তেওঁৰ অৱদান অপৰিসীম।** আনকি ১৯৩৮ চনৰ পাৰমাণৱিক বিস্ফোৰণৰ পৰীক্ষা 'পোখৰন-২'ৰ ৰূপৰেখা প্ৰস্তুত কৰোঁতাও আছিল ড$^0$ কালাম। তেওঁৰ উদ্দেশ্য আছিল, ভাৰতৰ প্ৰতিৰক্ষা ব্যৱস্থাটো শক্তিশালী কৰি তোলা, যাতে শত্ৰু দেশে আমাক বিপদত পেলাব নোৱাৰে। পিছে সৰ্বসাধাৰণ লোকৰ কামত অহা সামগ্ৰী উদ্ভাৱনৰ বাবে তেওঁ বৰ আগ্ৰহী আছিল। এই দিশত যুব উদ্যোগী আৰু যুৱ বিজ্ঞানীসকলে তেওঁৰ পৰা প্ৰেৰণা পাইছিল। **প্ৰতিবন্ধী শিশুৰ বাবে কম ওজনৰ FRO লাখুটি আৰু দুখীয়া হৃদৰোগীৰ বাবে 'Kalam-Raju Stent' ৰ উদ্ভাৱনত কালামৰ সহযোগিতা স্মৰণীয় হৈ ৰ'ব।**

ড$^0$ এ পি জে আব্দুল কালাম আছিল ভাৰতৰ 'পন্থ-নিৰপেক্ষতাৰ উৎকৃষ্ট চানেকি'। তেওঁ স্বীকাৰ কৰিছে, বিভিন্ন দিশত তেওঁক প্ৰেৰণা দিয়া পাঁচখন গ্ৰন্থৰ ভিতৰত কোৰান অন্যতম। কিন্তু এহাতে কোৰান আৰু আনহাতে গীতা ল'ববৈলে সংকোচ নকৰা বিজ্ঞানীগৰাকীয়ে ৰামায়ণ আৰু মহাভাৰত গভীৰভাৱে অধ্যয়ন কৰিছিল। মহাভাৰতৰ বিদুৰৰ চৰিত্ৰটো আছিল ড$^0$ কালামৰ বৰ প্ৰিয়; কাৰণ ন্যায় আৰু অন্যায়ৰ বিষয়ে নিৰ্ভীকভাৱে আঙুলিয়াই দিব পৰা ব্যক্তি গৰাকী আছিল বিদুৰ। ইছলামীয় ধৰ্মগুৰুসকলৰ উপৰিও তেওঁ আন ধৰ্মৰ গুৰুৰ সৈতে নৈতিক শিক্ষাৰ প্ৰাসংগিকতা সন্দৰ্ভত সততে আলোচনা কৰিছিল। কেবাগৰাকীও সাধু-সন্তৰ

সৈতে তেওঁৰ এই বিষয়ত মত বিনিময় হৈছিল।

এবাৰ তেওঁক এগৰাকী ছাত্ৰীয়ে সুধিছিল, 'আপোনাক আমি কেনেদৰে মনত ৰখাটো বিচাৰে, বিজ্ঞানী ৰূপে নে ৰাষ্ট্ৰপতি ৰূপে?' এটা মিচিকিয়া হাঁহিৰে তেওঁ উত্তৰ দিছিল— 'এগৰাকী ভাল মানুহ হিচাপে'। সঁচাকৈয়ে ড° এ পি জে আব্দুল কালাম আছিল ভাৰতৰ এগৰাকী উৎকৃষ্ট নাগৰিক। তেওঁৰ মৃত্যুও আছিল এটা বিস্ময়। পূৰ্ব নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি ২০১৫ চনৰ ২৭ জুলাইৰ সন্ধিয়া শ্বিলঙৰ আই আই এমত বক্তৃতা দিবলৈ আহিছিল ড° কালাম; কিন্তু বক্তৃতা আৰম্ভ কৰিয়েই মঞ্চত ঢলি পৰিছিল। প্ৰায় লগে লগেই তেওঁ মৃত্যুক সাবটি লৈছিল। সেইদিনা তেওঁৰ বক্তৃতাৰ বিষয়বস্তু আছিল 'বিশ্বক অধিক বাসোপযোগী কৰি তোলাৰ বিষয়ে' (Making the World more livable)। ড° কালামে শেষ মুহূৰ্তলৈকে জ্ঞানৰ পোহৰ বিলাই গ'ল; কিন্তু দুৰ্ভাগ্যজনক কথা এয়ে যে অধিক বাসোপযোগী পৃথিৱী এখন পোৱাৰ উপায় সম্পৰ্কে আমাক কোৱা নহ'ল।

জন্মভূমিৰ উন্নয়নৰ বাবে ড° কালামৰ জীৱন সমৰ্পিত আছিল। ১৯৯৭ চনত তেওঁক দেশৰ সৰ্ব্বোচ্চ অসামৰিক বঁটা 'ভাৰত ৰত্ন' প্ৰদান কৰা হৈছিল। তাৰ আগতেই তেওঁ লাভ কৰিছিল পদ্মভূষণ (১৯৮১) আৰু পদ্ম বিভূষণ (১৯৯০) বঁটা। কিন্তু **তেওঁ এগৰাকী সাধাৰণ ভাৰত ৰত্ন নাছিল; তেওঁ আছিল ভাৰতৰ অমূল্য ৰত্ন। এতিয়া ড° কালামৰ স্মৃতিত দেশে দেশে 'বিশ্ব ছাত্ৰ দিৱস' পালন কৰাৰ সিদ্ধান্তটোৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ শিশু, ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতী সকলৰ সামাজিক দায়বদ্ধতা বৃদ্ধি পালে। তেওঁলোকে ড° কালামৰ সপোন বাস্তৱলৈ ৰূপায়িত কৰিব লাগিব। এই ক্ষেত্ৰত তেওঁলোকৰ পাথেয় হ'ব ড° কালামৰ সেই অমোঘ মন্ত্ৰ,— 'আমি নিশ্চয়কৈ কৰিব পাৰো'।**

## ড০ এ.পি.জে. আব্দুল কালামে শিক্ষক সকললৈ দিয়া এটা ভাষণৰ ভাবানুবাদ

**অনুবাদক ঃ অজয় কুমাৰ বৰা**

মই বিদ্যালয়ৰ প্ৰধান আচাৰ্য আৰু শিক্ষক সকলৰ সৈতে কথা পাতিবলৈ আৰু দুআষাৰ ক'বলৈ পাই অতি সুখী হৈছো। আপোনালোকলৈ মোৰ আন্তৰিক অভিবাদন জনালো। বন্ধুসকল, মই আপোনালোকৰ সৈতে ইয়াত আজি যুৱকসকলৰ বিকাশৰ বিষয়ে আলচৰ ভাগী হ'ব খুজিছো। মই মোৰ কথা কৃষ্ণগিৰি জিলাৰ কাবেৰীপট্টমৰ সবুলুৰৰ কেম্ব্ৰিজ পাব্লিক ইংলিচ স্কুলত ২০১৩ চনৰ ২ অক্টোবৰৰ ভ্ৰমণৰ মনোৰঞ্জক অনুভৱৰ বৰ্ণনাৰে আৰম্ভ কৰিব খুজিছো। এই বিদ্যালয়খনৰ নিজা পৰিসৰৰ ভিতৰত দহ হাজাৰ বৰ্গ ফুট ভূমিত 'আদৰ্শ খেতি পথাৰ' (Model Farm) আছে - য'ত জৈৱিক পদ্ধতিৰে খেতি কৰা হয় আৰু ছাত্ৰ-ছাত্ৰীক শাক-পাচলিৰ পৰা ধান খেতিলৈকে বিভিন্ন খাদ্য শস্যৰ খেতিৰ লগতে জলসিঞ্চন আৰু শস্য নিৰনিৰ কৌশল শিকোৱা হয়। বিদ্যালয়ৰ প্ৰতিনিধি সনত কুমাৰে মোক এই কথা স্পষ্টকৈ কৈছে যে- খেতিৰ সৈতে সম্পৰ্ক নথকা পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীয়েহে আগ্ৰহেৰে কৃষি কৌশল শিকিবলৈ আগবাঢ়ি আহিছে। ইয়াৰে কিছু সংখ্যক ছাত্ৰই আজৰি পৰত নিজৰ ঘৰৰ পিচফালে খেতি কৰিবলৈ লৈছে। বিদ্যালয়ত কৃষিৰ দৰে মহত্বপূৰ্ণ ক্ষেত্ৰত এনে কৌশল বিকাশ দেখি অভিভূত হৈছো।

মই এতিয়া এজন শিক্ষকৰ ভূমিকাৰ সন্দৰ্ভত মোৰ ধাৰণা আপোনালোকক অৱগত কৰাব খুজিছো।

শিক্ষকৰ ভূমিকা — যদিও মোৰ স্কুলত পঢ়া বহু বছৰ অতীত হৈ গ'ল তথাপি শিক্ষক সকলে মোক দিয়া দিক্‌দৰ্শন, শিক্ষাৰ অভিনৱ পদ্ধতি, তদুপৰি তেওঁলোকে প্ৰদান কৰা নৈতিক শিক্ষাক জীৱনৰ বিভিন্ন সময়ত ব্যৱহাৰ কৰিবলৈ

সুবিধা পোৱাৰ বাবে মই তেওঁলোকক শ্ৰদ্ধাৰে সুঁৱৰিছো। যোৱা দুটা দশকত দেশৰ প্ৰায় একৈশ লাখ স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে মই কথা পাতিছো। মই য'লৈকে গৈছো সেয়া অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মধ্যপ্ৰদেশ, গুজৰাট, কৰ্ণাটক, জম্মু-কাশ্মীৰ , উত্তৰ প্ৰদেশ আৰু তামিলনাডুৱেই হওঁক বা ভাৰতবৰ্ষৰ যিকোনো অংশই হওঁক - নিজৰ দৃষ্টি আৰু সপোনক বাস্তৱৰূপ দিবলৈ সেই ঠাইৰ যুৱ প্ৰজন্মৰ কণ্ঠস্বৰ অদ্বিতীয় আৰু দৃঢ় তথা তেওঁলোক ইয়াৰ কাৰণে কাম কৰিবলৈ প্ৰস্তুত। প্ৰত্যেক ব্যক্তিৰে এখন সমৃদ্ধ ভাৰত, সুখময় ভাৰত, শান্তিময় ভাৰত আৰু সুৰক্ষিত ভাৰতবৰ্ষত থকাৰ সপোন আছে। এখন ৰাষ্ট্ৰৰ কাৰণে সমৃদ্ধি সুখ আৰু শান্তিৰ সংযোজন সদায় একেলগে হোৱা উচিত। যেতিয়াই এই তিনিওৰে অভিযোজন হ'ব তেতিয়াই ভাৰতবৰ্ষ বাস্তৱত আৰ্থিক ভাৱে এখন বিকশিত দেশ হ'ব। ভাৰতবৰ্ষত চাৰিশ নিযুত ছাত্ৰ-ছাত্ৰী আছে। আজি মই প্ৰধান আচাৰ্য আৰু শিক্ষক সকলৰ এই সভাত বক্তব্য ৰাখোতে মোৰ এনে লাগিছে যে মই ভাৰতবৰ্ষৰ ভৱিষ্যতৰ ভেটি নিৰ্মাণ কৰোঁতা শিক্ষণ মণ্ডলৰ আৰ্হিৰ সৈতেহে কথা পাতি আছো। মোৰ বিশ্বাস - শিক্ষকে নিজে মমবাতি হৈ বিদ্যাৰ্থীৰ মস্তিষ্কৰূপী মমবাতিক জ্যোতি প্ৰজ্বলিত কৰিব পাৰে। শিশুৱে বাৰ বছৰৰ প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ সময়চোৱাত প্ৰায় পঁচিশ হাজাৰ ঘণ্টা বিদ্যালয়ত কাম কৰে। শিক্ষকে নিজে উৎকৃষ্ট শিক্ষণ আৰু মূল্যৱান জীৱনৰ উদাহৰণ ৰূপে বিদ্যাৰ্থীৰ বাবে আদৰ্শ ব্যক্তি হ'ব পাৰে। বিদ্যালয়ৰ দ্বাৰা শিশুক নিৰ্মাণ কৰিব পৰা ক্ষমতাৰ বিষয়ে মই এতিয়া আলোচনা কৰিম।

**মই আপোনাক কি দিব পাৰো?**

আমাৰ মাজৰে প্ৰত্যেকে নিজৰ শৈশৱৰ পৰা কৰ্মময় জীৱনলৈ শিক্ষাৰ বিভিন্ন স্তৰৰ মাজেদি পাৰ হৈছে। মই এটা দৃশ্য কল্পনা কৰো - য'ত আছে এজন শিশু, এজন কিশোৰ, এজন বয়স্ক আৰু এজন নেতৃত্ব প্ৰদান কৰা ব্যক্তি। প্ৰত্যেক ব্যক্তি বিশেষ পৰিস্থিতিত কেনেকৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে? যদিহে এই পৰিস্থিতিত মানৱীয় আৱশ্যকতা হয়। শিশুৱে সোধে 'তুমি মোক কি দিব পাৰা'? কিশোৰে কয় 'মোক অকলে এৰি দিয়া, এই কাম অকলে কৰিব পাৰো।' অভিজ্ঞ ব্যক্তিয়ে ক'ব আঁহক আমি সকলোৱে মিলি কৰোঁ। এজন নেতাই প্ৰস্তাৱ দিয়ে - 'মই আপোনাক কি দিব পাৰো।' অৰ্থাৎ **প্ৰধান আচাৰ্য আৰু অধ্যাপকৰ ওপৰত এজন শিশুৰ তুমি মোক কি দিব পাৰা স্থিতিৰ পৰা এজন নেতাৰ ৰূপত - 'মই আপোনাক কি দিব পাৰো' স্থিতিলৈ ৰূপান্তৰিত কৰাৰ সম্পূৰ্ণ দায়িত্ব আছে। এই ক্ষেত্ৰত প্ৰধান আচাৰ্য আৰু আচাৰ্যৰ নেতৃত্ব দিয়াৰ ক্ষমতা আৰু দূৰদৰ্শিতাৰ প্ৰয়োজন।** তদুপৰি প্ৰধান আচাৰ্যই এই কথা নিৰ্ধাৰণ কৰিব লাগিব যে, আচাৰ্যৰ শিক্ষণ কেনেকুৱা হোৱা উচিত যাতে ছাত্ৰ সকলৰ মাজৰ পৰা শ্ৰেষ্ঠ জনক উলিয়াই আনিব পাৰে। ইয়াৰ বাবে তেওঁ এজন মহান শিক্ষক হ'ব লাগিব। মোৰ বিশ্বাস যে প্ৰধান আচাৰ্য, আচাৰ্যা আৰু অভিভাৱক সকলক একত্ৰিত কৰিব পাৰিলে সৰ্বোকৃষ্ট ৰচনাত্মক পৰিৱেশৰ সৃষ্টি হ'ব। সময়মতে আমি কেনেকৈ 'জীৱিকাৰ কৌশল শক্তি' নিৰ্মাণ কৰিব পাৰো - বন্ধু সকল, এতিয়া মই শিক্ষা আৰু কৌশলৰ কিছু আভাস দিব খোজো। এক প্ৰতিবেদনৰ মতে অহা দশকত ভাৰতবৰ্ষই তিনিশৰ পৰা পাঁচশ নিযুত যুৱকক জীৱিকাৰ বাবে সংস্থাপন দিব লাগিব। সেইবাবেই আমি আমাৰ বিশ্ববিদ্যালয় শিক্ষা আৰু মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমৰ আমূল পৰিৱৰ্ত্তন কৰিব লাগিব।

মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমত নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ সময়চোৱাৰ পঁচিশ শতাংশ সময় 'কৌশল বিকাশ'ৰ বাবে আবণ্টিত কৰিব লাগিব। এইদৰে কৰিলে মাধ্যমিক শিক্ষান্ত কৰা সকলে বিদ্যালয়ৰ পৰা ওলাই আহোতে হাতত দুখন প্ৰমাণ পত্ৰ লৈ আহিব। এখন ১০+২ শিক্ষান্তৰ বাবে আনখন চাৰি বছৰত অৰ্জন কৰা অদ্বিতীয় কৌশল বিকাশৰ বাবে। ইয়াৰ দ্বাৰা আমি প্ৰতি বছৰে লাখ লাখ কৌশলী যুৱক সংগ্ৰহ কৰিব পাৰিম।

এনে পৰিস্থিতিত শিক্ষাবিদসকলে লোৱা ভূমিকাক শলাগ ল'ব লাগিব, যি ছাত্ৰ-ছাত্ৰীৰ কৌশল বিকাশ ঘটাই তেওঁলোকক সমাজৰ সদস্যভুক্ত কৰাত অৰিহণা যোগাব। আমি এই কাম কেনেকৈ কৰিব পাৰিম? মোক পৰামৰ্শ দিয়ক।

**ভ্ৰাম্যমান কৌশল বিকাশ কেন্দ্ৰ**

দিল্লীত ৯০০ ৰ অধিক চৰকাৰী বিদ্যালয় আছে। মোৰ অনুমান ইয়াৰে প্ৰত্যেক বিদ্যালয়তে তিনিশৰ পৰা চাৰিশ ছাত্ৰ-ছাত্ৰীক নিৰ্মাণ কৰিব পাৰো। নিঃসন্দেহ, বিভিন্ন বাধাৰ বাবে প্ৰত্যেক বিদ্যালয়ক "কৌশল বিকাশ কৰ্মশালা"ৰ পৰা বিৰত কৰিব পৰা নাযায়। এনে স্থিতিত সমাধানৰ সূত্ৰ কি হ'ব পাৰে?

এটা সমাধান সূত্ৰ এনে হ'ব পাৰে যে- ছাত্ৰ-ছাত্ৰীক সম্পূৰ্ণ শৈক্ষিক পঞ্জিকাত প্ৰতি সপ্তাহত ১-২ কালাংশৰ বাবে ওচৰৰ কোনো কৌশল বিকাশ প্ৰতিষ্ঠান বা প্ৰশিক্ষণ কেন্দ্ৰলৈ নি তেওঁলোকক লঘু প্ৰশিক্ষণ দিয়া হওঁক। এই কেন্দ্ৰ আই.টি.আই বা পলিটেকনিক বা ব্যক্তিগত কৰ্মশালা আৰু ইলেক্ট্ৰনিক প্ৰয়োগশালা হ'ব পাৰে। আন এক পদ্ধতিৰে "ভ্ৰাম্যমান কৌশল বিকাশ প্ৰয়োগশালা"ও আৰম্ভ কৰিব পাৰি। এনে ভ্ৰাম্যমান বাহনত স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে কৌশল বিকাশ আৰু ব্যৱসায়িক শ্ৰেণীৰ বাবে কিছু আৱশ্যকীয় সামগ্ৰী ৰাখিব পাৰি আৰু এটা বিশেষ অঞ্চলৰ বিদ্যালয় সমূহৰ মাজত নিৰ্ধাৰিত সময়সূচীমতে এখন বিদ্যালয়ৰ পৰা আন এখন বিদ্যালয়লৈ স্থানান্তৰিত কৰিব পাৰি। প্ৰশিক্ষণৰ বাবে প্ৰত্যেক ভ্ৰাম্যমান বাহনত আইচিটি সামগ্ৰী, যান্ত্ৰিক আৰু কেমিকেল ইঞ্জিনিয়াৰিঙৰ সামগ্ৰী সংস্থাপন কৰিব লাগিব। ভ্ৰাম্যমান বাহনৰ আগতীয়া সময়সূচী দিয়াৰ ব্যৱস্থাও কৰিব পাৰি আৰু বিদ্যালয়ৰ সৈতে সম্পৰ্ক ৰাখিবলৈ মোবাইল ফোনৰ মাধ্যমেৰে বিদ্যালয়বোৰৰ প্ৰধান আচাৰ্যসকলৰ সৈতে সম্পৰ্ক ৰাখিব পৰা যাব। এনেদৰে এখন ভ্ৰাম্যমান বাহনে দিনে কমেও দুখন বিদ্যালয়লৈ গৈ প্ৰশিক্ষণ দিব পাৰিব। বিদ্যালয়বোৰৰ সহযোগত চৰকাৰে এনে পদ্ধতিৰে আমাৰ যুৱ প্ৰজন্মক বিদ্যালয় স্তৰৰ পৰাই কৌশল বিকাশ ঘটোৱাৰ আঁচনি গ্ৰহণ কৰিব পাৰে আৰু আগন্তুক ৩-৪ বছৰৰ ভিতৰত শিক্ষাৰ পৰিৱেশৰ উন্নতি সাধন কৰিব পাৰে। ইয়াৰ বাহিৰেও শিক্ষাবিদৰ দ্বাৰা বিভিন্ন কৌশল বিকাশৰ নিজৰ অভিজ্ঞতাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক অৱগত কৰাই সেইদিশেৰে আগবাঢ়ি যাবলৈ অনুপ্ৰেৰণা যোগাব পাৰে। ইয়াৰ বাবে প্ৰাথমিক স্তৰৰ পাঠ্যক্ৰমৰ সমীক্ষা কৰাৰো প্ৰয়োজন আছে।

**ব্ৰহ্মাণ্ডৰ ৰহস্য ঃ**

বন্ধুসকল, আমি মন কৰা উচিত যে- মানুহৰ মন এক অসাধাৰণ উপহাৰ। ব্ৰহ্মাণ্ডৰ ৰহস্যৰ ভিতৰলৈ তেতিয়াহে আপুনি প্ৰবেশ কৰিব পাৰিব যেতিয়া আপোনাৰ মনত প্ৰশ্নৰ উদয় হ'ব নাইবা চিন্তা কৰিব। বিদ্যালয়ৰ চিন্তন কক্ষত জিজ্ঞাসা আৰু চিন্তনৰ সূচনা কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ মাজত চিন্তাৰ অৱতাৰণা ঘটাই প্ৰশ্ন কৰিবলৈ তেওঁলোকক উৎসাহীও কৰিব লাগিব আৰু শিক্ষক সকলে ধৈৰ্য সহকাৰে প্ৰশ্নবোৰৰ উত্তৰ সহজভাৱে দিব লাগিব। মোৰ উপদেশ এয়ে যে আপোনাৰ জীৱনলৈ কি উত্থান পতন আহিছে তালৈ কেৰেপ নকৰি চিন্তনৰ এক ভৰাঁলৰ গৰাকী আপুনি হ'ব লাগিব। চিন্তনেই প্ৰগতি। চিন্তা নকৰাটো ব্যক্তি, সমাজ অথবা দেশৰ বাবে প্ৰতিবন্ধক। চিন্তা কৰিবলৈ শিকাব লাগিব। কাৰ্যৰ অবিহনে জ্ঞান নহয় আৰু অপ্ৰাসঙ্গিক। কাৰ্য আৰু জ্ঞানে সমৃদ্ধি আনে। এগৰাকী প্ৰধান আচাৰ্যৰূপে আপুনি মানুহৰ জীৱনৰ প্ৰত্যেক স্তৰৰ বিষয়ে জনাৰ বাবে যুৱ প্ৰজন্মৰ মনত সাৰপানী যোগাব লাগিব।

বিজুলী সৃষ্টি কৰিব পাৰি আৰু ইয়েই পৰমাণু অস্ত্ৰৰ দিশে গতি দিছে। ১৯৬০ চনত ভাৰতবৰ্ষত এক মহত্ত্বপূৰ্ণ ঘটনা সংঘটিত হয়। প্ৰফেচাৰ বিক্ৰম ছাৰাভায়ে দেশৰ অশুৰিক্ষ কাৰ্যসূচীৰ পিনে দৃষ্টি দিয়ে। তেওঁ কৈছিল যে- ভাৰতবৰ্ষৰ নিজা ৰকেট প্ৰণালী তৈয়াৰ কৰিব লাগে।

দূৰসংযোগী আৰু দূৰসংবেদী উপগ্ৰহ নিৰ্মাণ কৰা উচিত। ইয়াক একত্ৰিত কৰি ভাৰতীয় অন্তৰিক্ষ প্ৰক্ষেপন কেন্দ্ৰৰ পৰা প্ৰক্ষেপ কৰা উচিত আৰু ইয়াক ভূ-সমকালিক কক্ষ আৰু সূৰ্য সমকালিক কক্ষত স্থাপিত কৰা উচিত। ভাৰতবৰ্ষই আজি সকলো প্ৰকাৰৰ ৰকেট প্ৰণালী আৰু উপগ্ৰহ নিৰ্মাণ কৰিব পাৰে আৰু সেইবোৰক নিৰ্দিষ্ট কক্ষত প্ৰক্ষেপ কৰিব পাৰে তথা কোনো গ্ৰহত উপনীত হোৱাৰ ক্ষমতা আছে। এই ব্ৰহ্মাণ্ডত লাখ লাখ লোক বিচৰণ কৰে। কিন্তু যোৱা শতাব্দীত এক মহান আত্মাই ভাৰতভূমিলৈ আহি অহিংসা ধৰ্মৰে ভাৰতবৰ্ষক স্বাধীনতাৰ দিশে আগবঢ়াই দিলে। মোৰ মৰমৰ বন্ধু সকল, আপোনাসবে ছাত্ৰ সকলক মহাত্মা গান্ধী বা চাৰ চি.ভি ৰমণ বা আইনষ্টাইন বা সুভ্ৰমনিয়ম চন্দ্ৰশেখৰ বা বিক্ৰম ছাৰাভাইৰ দৰে ডাঙৰ সপোন দেখাৰ বাবে উৎসাহিত কৰিব পাৰে। আপোনালোকে ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা মহান বিচাৰক নিৰ্মাণ কৰিব পাৰে আৰু তেওঁ নিৰ্মাতা হ'ব পাৰে।

**প্ৰমূল্য শিক্ষা ঃ**

মোৰ কলেজীয়া দিনৰ তিৰুচিৰাপল্লীৰ এখন খ্ৰীষ্টিয়ান সংস্থা ছেণ্ট জোচেফ কলেজৰ সৰ্বোচ্চ অধিকাৰী ৰেভাৰেণ্ট ফাদাৰ ৰেক্টৰ কলাথিলে দিয়া এটা ব্যাখ্যাৰ কথা সুঁৱৰিছো। তেওঁ প্ৰতি সোমবাৰে এটা ক্লাছ লৈছিল। তেওঁ বৰ্ত্তমান আৰু অতীতৰ মহান লোক সকলৰ তথা কোনো এজন ব্যক্তিৰ এনে গুণৰ কথা কৈছিল - যি গুণৰ দ্বাৰা সেই ব্যক্তি মহান হৈছে। তেওঁ শ্ৰেণীত বুদ্ধ, কনফুচিয়াছ, ছেণ্ট আগষ্টিন, খালিফা ওমৰ, মহাত্মা গান্ধী, আইনষ্টাইন, আব্ৰাহাম লিংকন আদিৰ দৰে ব্যক্তিত্বৰ আৰু আমাৰ সাংস্কৃতিক পৰম্পৰাৰ সৈতে জড়িত আখ্যানবোৰৰ ব্যাখ্যা কৰিছিল। নীতি শিক্ষাৰ শ্ৰেণীত ফাদাৰ কলাথিলে ব্যাখ্যাৰ মাজত নিজৰ সেই স্তৰবোৰৰ কথা কৈছিল - কেনেকৈ পিতৃ-মাতৃক চোৱা-চিতা কৰিছিল, শিক্ষণ আৰু মহান গ্ৰন্থৰ মাধ্যমেৰে কেনেকৈ তেওঁ বিকশিত ব্যক্তি ৰূপে প্ৰতিষ্ঠিত হ'ল ইত্যাদি। যদিও এইবোৰ ব্যাখ্যা ১৯৫০ চনৰ মোৰ কলেজীয়া জীৱন কালত শুনিছিলো তথাপি তেওঁৰ কথা খিনিয়ে আজিও মোক প্ৰেৰণা যোগায়। স্কুল আৰু কলেজত আমাৰ সভ্যতা, সাংস্কৃতিক পৰম্পৰা আৰু প্ৰমূল্যবোধৰ বিষয়ে মহান শিক্ষকৰ দ্বাৰা সপ্তাহত কমেও এবাৰ এঘণ্টীয়া বক্তৃতা অনুষ্ঠানৰ দিহা কৰা উচিত। এই বক্তৃতা অনুষ্ঠানক "নৈতিক বিজ্ঞানৰ শ্ৰেণী" বুলিব পাৰি। ইয়াৰ দ্বাৰা যুৱ প্ৰজন্মৰ মনত দেশপ্ৰেম, মানৱ প্ৰেম আৰু নিজৰ উচ্চাকাংক্ষাৰ দিশে কাম কৰিবলৈ প্ৰেৰণা যোগাব আৰু প্ৰত্যেক নাগৰিকৰ চৰিত্ৰ গঠনত ভাল গুণৰ সৈতে নৈতিকতা সুনিশ্চিত কৰিব। প্ৰাথমিক, মাধ্যমিক আৰু কলেজীয়া শিক্ষাৰ মোৰ শিক্ষক সকলে কেই দশকৰ আগে এই শিক্ষা মোক প্ৰদান কৰিছিল। বাস্তৱত সেইবোৰ তেওঁলোকৰ দূৰদৃষ্টি আছিল।

**নৈতিক নেতৃত্ব ঃ**

একৈশ শতিকাৰ বাবে বিদ্যালয়বোৰে কেনেকুৱা ধৰণৰ নেতৃত্ব বিকশিত কৰিব লাগিব? একৈশ শতিকাৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বৰ বাবে আমাৰ বিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানবোৰত শিক্ষক সকলে নৈতিক নেতৃত্বৰ ব্যৱহাৰ কৰা উচিত। তেওঁলোকে বিদ্যালয় আৰু স্কুলীয়া শিক্ষাৰ বাবে নতুন দৃষ্টিভঙ্গীৰে চাব লাগিব, এনে এক শৈক্ষিক পৰিৱেশ সৃষ্টি কৰিব লাগিব য'ত ছাত্ৰ-ছাত্ৰীসকলে অধিক স্বাধীনচিতীয়া ভাৱে শিকাৰ মাধ্যমেৰে বিকশিত হ'ব পাৰে। আমি স্বায়ত্বতাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীৰ আগত কেৱল ব্যাখ্যা কৰিব নালাগে।

স্বায়ত্বতাক বিদ্যালয়ত শিকাৰ কলাৰূপে এক প্ৰক্ৰিয়াৰ মাধ্যমেৰে আমি বিকশিত আৰু অধিগৃহীত কৰিব লাগিব। **সকলো প্ৰধান আচাৰ্য আৰু আচাৰ্যাৰ মাধ্যমেৰে আমি ছাত্ৰ-ছাত্ৰীক এনে শিক্ষা প্ৰদান কৰিব লাগিব - যি শিক্ষাই দেশক এনে প্ৰতিবদ্ধ নেতৃত্ব প্ৰদান কৰক - যিয়ে ৰাষ্ট্ৰক সমৃদ্ধ, শান্তিপূৰ্ণ আৰু সুখময় ভাৰতবৰ্ষলৈ পৰিৱৰ্ত্তন কৰিবলৈ সক্ষম হ'ব।**

বীৰ গাঁথা

# লাচিত বৰফুকনৰ দেশপ্ৰেম আৰু সাম্প্ৰতিক পৰিস্থিতিত ইয়াৰ প্ৰাসংগিকতা

**হেমন্ত ধিং মজুমদাৰ**

অসমীয়া জাতি আজি স্বাধীন, কিন্তু অসমীয়া জাতিৰ অস্তিত্ব আজি বিপদ সংকুল। অসমীয়াক অসমীয়া স্বৰূপে বিশ্ব দৰবাৰত যিজনা বীৰে প্ৰতিষ্ঠা কৰি থৈ গ'ল সেইজনা বীৰ লাচিত বৰফুকনৰ ওচৰত আজিও আমি অসমীয়া সকল চিৰকৃতজ্ঞ।

লাচিতৰ অত্যন্ত সাহস আৰু বীৰত্বৰ বাবেই, লাচিতৰ কৰ্তব্যপৰায়ণতা গুণৰ বাবেই, লাচিতৰ দেশপ্ৰেমৰ বাবেই অসমীয়াই আজি পৃথিৱীত এটি সুকীয়া জাতি হিচাবে নিজক প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছে। বিদেশী মোগল শতৰুক লাচিতে নিজ হেংদাঙেৰে কচু-কটা দি সোণৰ অসমৰ শান্তি ঘূৰাই আনিছিল।

আজি আমাৰ মাজত লাচিত নাই যদিও আমাৰ লগত আছে তেওঁৰ আদৰ্শ তথা চানেকি। তেওঁৰ আদৰ্শকেই অসমীয়াই সাৰোগত কৰি আগবাঢ়িব লাগিব বিশ্বৰ আন আন প্ৰগতিশীল জাতিৰ লগত সমানে ফেৰ মাৰিবলৈ।

দুঃসাহসিক প্ৰেৰণাৰ জীৱন্ত উৎস, দুৰ্দমনীয় স্বাধীনতা পিয়াসী, অগ্নিস্নানকাৰী, দুৰ্নিবাৰ সাহসৰ জ্বলন্ত প্ৰতিমূৰ্তি লাচিত বৰফুকন এটি যুগান্তকাৰী নাম, যাৰ শৰাইঘাটৰ যুদ্ধৰ বিস্ময়কৰ কাহিনী লিখা আছে আহোম বুৰঞ্জীৰ ইতিহাসত কেঁচা তেজেৰে ৰঞ্জিত হৈ। লাচিতৰ অতুলনীয় দেশপ্ৰেম তাৰ পূৰ্ণ প্ৰকাশ ঘটিছিল শৰাইঘাটৰ যুদ্ধত। লাচিত বৰফুকন সেইসময়ত আহোম সেনাৰ সেনাপতি আছিল। বৰ্তমান আমাৰ সমাজত লাচিতৰ দৰে দেশপ্ৰেমিক নেতা বিৰল। লাচিতৰ দিনত অসম আক্ৰমণ কৰিবলৈ মোগলক সেনাপতিত্ব কৰিছিল ৰামসিংহই, যি যুদ্ধকে আদি কৰি ৰাজনীতি, কূটনীতি সকলোতে নিপুণ। এনে এজন মোগল সেনাপতিয়ে নিজৰ সৰ্বশক্তি প্ৰয়োগ কৰিও অসমীয়া সেনাৰ হাতত পৰাস্ত হৈছিল। কাৰণ অসমীয়াৰ অন্তৰত আছিল নিঃস্বাৰ্থ দেশপ্ৰেম আৰু যাৰ ফলত তেওঁলোকৰ বুকুত বাঢ়িছিল সাহস আৰু বাহুত আহিছিল বল। আহোমৰ দিনত তেনেকুৱা মাত্ৰ এজন ৰামসিংহই আক্ৰমণ কৰিছিল, কিন্তু আজি বৰ্তমান সময়ত অসমত তেনে শ-শ ৰামসিংহই অসমীয়া জাতিক পৃথিৱীৰ পৰা নিঃশেষ কৰি দিয়াৰ মানসেৰে আমাৰ ওপৰত বিভিন্ন ধৰণেৰে অত্যাচাৰ তথা আক্ৰমণ কৰিছে। গতিকে ইয়াৰ প্ৰত্যুত্তৰ দিবৰ বাবে লুইতৰ পাৰৰ আমি প্ৰতিজন অসমীয়াই নিজকে দেশভক্ত বীৰ লাচিতৰ দৰে গঢ়ি তুলিব লাগিব। লাচিতৰ মনত দেশপ্ৰেমৰ তুলনাত বাকী সকলো তুচ্ছ আছিল। শৰাইঘাট যুদ্ধৰ আগনিশা মোগলক বাধা দিবৰ বাবে এটা গড় নিৰ্মাণৰ দায়িত্ব তেওঁ নিজৰ মোমায়েকৰ হাতত অৰ্পণ কৰিছিল। কিন্তু মোমায়েকে কামত হেমাহি কৰাত তেওঁ "দেশতকৈ মোমাই ডাঙৰ নহয়" বুলি শিৰচ্ছেদ কৰিছিল। তাকে দেখি বনুৱা সকলে দুগুণ বেগেৰে কাম কৰি গড় নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিছিল। শৰাইঘাট যুদ্ধৰ সংকটপূৰ্ণ অৱস্থাত অসমৰ প্ৰধান সেনাপতি লাচিত বৰফুকন ডাঙৰীয়া অসুস্থ হৈ বিছনাৰ পৰাই উঠিব মেলিব নোৱাৰা হৈছিল। আতন বুঢ়াগোহাঞিকে আদি কৰি বহুতে হকা-বাধা কৰা সত্বেও লাচিতে তেওঁক বিছনাৰ সৈতে তেওঁৰ নাৱত তুলি শত্ৰুৰ মাজলৈ আগুৱাই নিবলৈ কঠোৰ আদেশ দিছিল। যেতিয়া অসুস্থ শৰীৰেই বৰফুকন শত্ৰুৰ মাজলৈ আগুৱাই অহা দেখিলে আমাৰ সৈন্যবোৰে প্ৰবল উৎসাহেৰে বৰতোপ আৰু হিলৈ চৰোৱা নাওবোৰ শত্ৰুৰ সন্মুখলৈ আগুৱাই দিলে। সেইসময়ত ব্ৰহ্মপুত্ৰৰ বুকুত ইমান নাৱৰ সমাবেশ ঘটিছিল যে অসমীয়া সেনাই ইখনৰ পিছত সিখনকৈ নাও লগ লগাই ইটাখুলিৰ পৰা অশ্বক্লান্তৰ ওচৰলৈকে ব্ৰহ্মপুত্ৰৰ বুকুত এখন দলঙৰ নিচিনাই কৰি পেলাইছিল। অবিৰাম গুলি আৰু কাড় বৰ্ষণৰ দ্বাৰা আমাৰ সেনাই মোগলৰ নাৱত অহা অলেখ সৈন্যক ব্ৰহ্মপুত্ৰৰ বুকুত বুৰাই পেলাইছিল। মোগলৰ প্ৰধান নৌসেনাপতি ৰছিদ খাঁই অসমীয়াৰ গুলি খাই ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গ'ল।

অলেখ মোগল সেনা অসমীয়া সেনাৰ গুলি, কাড় আৰু মাৰ খাই মৰিল। কিছুমান নাৱেৰে সৈতে ব্ৰহ্মপুত্ৰৰ বুকুত ডুবিল, বহুত মোগল অসমীয়া সৈন্যৰ হাতত বন্দী হ'ল আৰু বাকীবোৰক পাণ্ডুলৈকে খেদি দিলে। অসমীয়া মানুহক "পৰ্বতৰ নিগনি" বুলি উপলুঙা আৰু উলাই কৰি অহা মোগলৰ প্ৰধান সেনাপতি ৰামসিংহৰ দম্ভ, অভিমান, আহ্মাৰূবালিৰ কাষত এই পানীযুদ্ধতেই অসমীয়া সৈন্যই চূৰ্ণীকৃত কৰিলে। মোগলৰ 'মোগল ফন্দী' অসমীয়াই ফু-মাৰি উৰুৱাই দিলে।

এইদৰে অসমৰ এক বিপদ-সংকুল সময়ত লাচিতৰ নেতৃত্বত অসমৰ ৰাইজে মাৰবান্ধি একেলগ হৈ অসম মাতৃক বিপদৰ পৰা উদ্ধাৰ কৰিলে। শত্ৰুৰ মুখত ছাই সানি অসম মাতৃৰ গৌৰৱ বৃদ্ধি কৰিলে। সেই সময়ত প্ৰতিজন অসমীয়াই দেশমাতৃৰ কামৰ সময়ত সকলো কাম আওকাণ কৰি থৈ কেৱল মাত্ৰ দেশসেৱাত ব্ৰতী হৈছিল। সেই সময়ৰ প্ৰতিজন অসমীয়া সকলো কামতে পাকৈত আছিল। ১৬৬৭ খ্ৰীষ্টাব্দৰ পৰা ১৬৭১ খ্ৰীষ্টাব্দৰ ৫ এপ্ৰিললৈকে একে লেঠাৰীয়ে চাৰি বছৰ কাল ধৰি শৰাইঘাটৰ যুদ্ধৰ প্ৰধান সেনাপতি হিচাবে লাচিত বৰফুকনে উপস্থিত বুদ্ধি, অচল-অটল ধৈৰ্য, অতুলনীয় ত্যাগ, অক্লান্ত পৰিশ্ৰম আৰু দুৰন্ত সাহসৰ যি অতুলনীয় আৰ্হি দেখুৱাই গ'ল বুৰঞ্জীত তেনে উদাহৰণ পাবলৈ বিৰল।

লাচিতৰ বিপৰীতে আজিৰ ৰজা মহাৰজাই ক্ষমতা গাদীৰ লোভত হৈ পৰিছে মানৱতাহীন, বিবেকহীন। বিসৰ্জন দিছে ন্যায়-নীতি, সৎ-সদাচাৰ। উচিত অনুচিত বিচাৰ নকৰি সামৰিক শক্তিৰ প্ৰয়োগৰ দ্বাৰা প্ৰতিষ্ঠা কৰিছে এক অশৃংখল সমাজ, প্ৰজাৰ অনাপেক্ষিত সিদ্ধান্তই উদ্‌গনি দিছে দেশদ্ৰোহী অপশক্তিক। আজিৰ ৰজা-মহাৰজাই অপশক্তিৰ আঁৰত থাকি কাম কৰি থকাৰ কাৰণে বিদেশীৰ অপশক্তিৰ লগত হাত মিলাই চলে বলে কৌশলেৰে কেৱল ৰাজসিংহাসন দখল কৰাৰ অপচেষ্টাই বৰ্তমান দেশৰ স্থায়ী বাসিন্দাৰ জীৱন সংকটজনক তথা দুৰ্বিহ কৰি তুলিছে। নিজৰ মাটিতে, জন্মভূমিতে হ'ব লগা হৈছে অপহৃত, ভগনীয়া আৰু বিদেশীৰ দ্বাৰা প্ৰহৃত। বিদেশীৰ হাতত প্ৰাণ এৰিব লগা হৈছে। ইয়াতকৈ আৰু দুখজনক কথা কি হ'ব পাৰে। অস্ত্ৰধাৰী অপশক্তিক নিৰ্বাচনৰ দৰে পবিত্ৰ কাৰ্যত ব্যৱহাৰ কৰি গণতন্ত্ৰত দুৰ্যোগ আনিছে। সেয়েহে আমাৰ দেশৰ জনসাধাৰণৰ প্ৰতি আহ্বান যাতে এনে চৰকাৰ তথা এনে ৰজাই এনেকুৱা কু-কৰ্ম পৰিত্যাগ কৰি লাচিতৰ দেশপ্ৰেম আৰু আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ আমাৰ দেশক যাতে প্ৰগতিৰ দিশত আগুৱাই নিয়ে।

যিজন শ্ৰীমত বৰুৱাৰ পুত্ৰ, যিজন প্ৰতাপৰ অনল, যাৰ চৰণ যুগলত শত-শত পাহি পদুম ফুল ফুলি থাকে, যাৰ যশস্যা বেলিৰ পোহৰৰ দৰে সকলোপিনে বিস্তৃত হৈ থাকে, যাৰ প্ৰতাপৰ কথা সমীৰণে বোজা বান্ধি লৈ ফুৰে, শত্ৰুসকলৰ মূৰত যি মণি থাকে, সেই মণিৰ পোহৰ যাৰ কীৰ্তিৰ কাষ পালে নিষ্প্ৰভ হৈ যায় অৰ্থাৎ পোহৰ নাইকিয়া হয়, যি শত্ৰুৰ প্ৰতি বিৰিণাত জুই জ্বলাৰ দৰে জ্বলি উঠিব পাৰে, বৰবৰুৱাৰ পুতেক সেইজন বৰফুকন লাচিতৰ ওচৰত অসমীয়া হৈ ৰ'ব চিৰ নমস্য।

## বিদ্যা ভাৰতী ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত শিশু শিক্ষা সমিতি, অসমৰ সফলতা

যোৱা ৩ নৱেম্বৰৰ পৰা ৭ নৱেম্বৰ, ২০১৫ তাৰিখলৈ মধ্য প্ৰদেশৰ ভূপালত **ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহ** অনুষ্ঠিত হৈ যায়। উক্ত সমাৰোহত বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ হৈ ২৮ জন খেলুৱৈয়ে অংশগ্ৰহণ কৰে। সমাৰোহত অংশ গ্ৰহণ কৰি শিশু শিক্ষা সমিতি, অসমৰ অন্তৰ্ভুক্ত শ.শি.নি, নাৰায়ণপুৰৰ ছাত্ৰী মধুস্মিতা বৰাই লং জাম্পত (কিশোৰ) প্ৰথম স্থান, শ.শি.নি, শালমাৰীৰ ছাত্ৰী তৰালী সোণোৱালে জেভেলিন থ্ৰোত (কিশোৰ) দ্বিতীয়, শ.শি.নি, নয়াবজাৰৰ ছাত্ৰ অবুটানি পেগুয়ে ডিচকাচ্ (বালক) তৃতীয় আৰু শ.শি.নি, ৰজাবাৰীৰ ছাত্ৰ জিটু মৰাঙে জেভেলিন থ্ৰোত (কিশোৰ) তৃতীয় স্থান লাভ কৰি সমিতি তথা নিকেতনলৈ গৌৰৱ কঢ়িয়াই আনে।




নিম্নলিখিত ঠিকনাযোগে তোমালোকৰ লিখনিসমূহ পঠিয়াব পাৰিবা।

সম্পাদক
**বিদ্যা ভাৰতী সংবাদ**
শিশু শিক্ষা সমিতি, অসম
প্ৰশান্ত পথ, আৰ.জি.বি.ৰোড্
গুৱাহাটী-৭৮১০২৪

## এই সংখ্যাৰ প্ৰশ্ন

ঘৰ এখনৰ সুস্থ আৰু সুন্দৰ পৰিৱেশ সম্পৰ্কে তোমাৰ ধাৰণা কি সংক্ষেপে লিখা।

### ৰক্ষা বন্ধন উৎসৱে আমাৰ মাজত কিদৰে প্ৰভাৱ পেলায়?

বছৰত আমি পালন কৰা বিভিন্ন উৎসৱৰ এটা নিৰ্দিষ্ট বাৰ্ত্তা থাকে। মানৱ সম্প্ৰদায়ৰ সকলোবোৰ সম্পৰ্কৰ ভিতৰত ভাই-ভনীৰ সম্পৰ্ক অতি মধুৰ আৰু পবিত্ৰ। 'ৰক্ষা বন্ধন' উৎসৱে ভনীয়েকৰ ভাতৃৰ প্ৰতি থকা অকুণ্ঠ সহৃদয়তা আৰু ভায়েকৰ ভনীয়েকৰ প্ৰতি থকা দায়িত্ব তথা কৰ্তব্য পৰায়ণৰ নিদৰ্শন দাঙি ধৰে।

সাম্প্ৰতিক সময়ত ৰক্ষা বন্ধনৰ গুৰুত্ব ভাই-ভনীৰ সম্পৰ্কৰ মাজতে সীমাবদ্ধ নাথাকি ইয়াৰ অন্তৰ্নিহিত ভাৱধাৰাই সমগ্ৰ মানৱ জাতিকে প্ৰেম, ভাতৃত্বৰ ডোলেৰে বান্ধি ওচৰ চপাই অনাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ৰক্ষা বন্ধন উৎসৱ শান্তিৰ পবিত্ৰ বাণী স্বৰূপ। কেইডালমান ৰঙীন সূতাৰে নিৰ্মিত ৰাখীডালৰ মাজত নিহিত থাকে বিভিন্নতাৰ মাজত একতা আৰু ভাতৃত্ববোধৰ পবিত্ৰ বাণী। বৰ্ত্তমান হিংসা, দ্বেষ, প্ৰতিহিংসা আদি ব্যাধিয়ে সমাজখনক বিশৃংখল কৰি পেলাইছে। শান্তি নিৰাপত্তা আজি আমাৰ বাবে সুদূৰ পৰাহত। ঐক্যতা আৰু ভাতৃত্ব বোধ সমৃদ্ধ বাণীয়েই হ'ল বিশেষকৈ ৰক্ষা বন্ধন উৎসৱৰ প্ৰাসংগিকতা।

শ্ৰীমতী মৃগাক্ষী চেতিয়া
ষষ্ঠ শ্ৰেণী
ফাগুণী মেদক সৌৰৱণী বিদ্যা নিকেতন, জোনাই

## প্ৰশ্নমঞ্চ

- National Council of Educational Research and Training (NCERT) কোন চনত স্থাপিত হৈছিল?
- ভাৰতীয় ক্ষেপণাস্ত্ৰ কাৰ্য্যসূচীৰ বিকাশৰ অন্তৰালত থকা মহান মনীষী গৰাকীৰ নাম কি?
- ভাৰতৰ আটাইতকৈ বেগী স্থলচৰ জন্তু কি?
- অক্সিজেন নোহোৱাকৈ এভাৰেষ্ট শৃংগ আৰোহণকাৰী প্ৰথম ভাৰতীয়জনৰ নাম কি?
- ভাৰত ৰত্ন বঁটাৰে সন্মানিত কৰা প্ৰথম মহিলা গৰাকীৰ নাম কি?

**যোৱা সংখ্যাত দিয়া প্ৰশ্নৰ উত্তৰ সমূহঃ**

১। দহ ২।পদ্মাসন ৩। সৰ্পাসন ৪। সকলো আসনৰ শেষত ৫। ইড়া, পিঙ্গলা আৰু সুষমা।

### *কালামলৈ এজন ছাত্ৰৰ প্ৰশ্ন - আপোনাৰ শৈশৱ কালাটো কেনেকুৱা আছিল?*

মিচিকিয়াই হাঁহি কালামে ক'লে, 'জানানে মোৰ বাল্য কালটো বৰ কষ্টকৰ আছিল। ৰাতিপুৱা পাঁচমান বজাত বিছনা এৰি তিনিখন মাদ্ৰাছা বিদ্যালয়লৈ যাব লাগে। তাৰ পৰা ঘূৰি আহি নিজৰ বিদ্যালয়ৰ কামখিনি লৰালৰিকৈ কৰোঁ। স্কুললৈ যোৱাৰ আগতে চাইকেলেৰে খবৰ কাগজ বিলাওঁগৈ। তাৰ পিছতে স্কুল। ভাটিবেলা স্কুলৰ পৰা ঘূৰি আহি চাইকেলখন লৈ ৰাতিপুৱা ঘৰে ঘৰে দিয়া খবৰ কাগজৰ পইচা উঠাওঁ। সেই দিনত আমাৰ ঠাইত বিজুলী যোগান নাছিল। মই সন্ধিয়াৰ ভিতৰতে পঢ়া শুনা কৰি উঠিব লাগে।মোৰ মায়ে মোক মৰম কৰি আনকেইজনতকৈ সামান্য বেছি কেৰাচিন তেল দিছিল আৰু সেইখিনিৰে মই ৰাতি দেৰিলৈকে পঢ়া শুনা কৰোঁ। দেৰিকৈ শুবলৈ গ'লেও ব্ৰহ্মমুহূৰ্ত্ততে উঠি দৌৰ মাৰিব লাগিব সেইটো মনত থাকে। ঠিক আছে?

সাংস্কৃতিক কণিকা

# বিদ্যাৰম্ভ

ভাৰতীয় লোক জীৱনত অপৰিহাৰ্য দহোটা সংস্কাৰৰ ভিতৰত বিদ্যাৰম্ভ এক গুৰুত্বপূৰ্ণ সংস্কাৰ। শিশু এটিক যেতিয়া শিক্ষা গ্ৰহণৰ বাবে উপযুক্ত বুলি পৰিয়ালৰ লোকে ঠিৰাং কৰে, তেতিয়াই এই বিদ্যাৰম্ভ সংস্কাৰ পালন কৰা হয়। শুভ দিন-ক্ষণ চাই আনুষ্ঠানিক পূজা-পাতলৰ আয়োজন কৰি পূজা-পাতলৰ অন্তত পূজাৰ পুৰোহিতে শিশুটিৰ হাতত নতুন ফলি-পুথি তুলি দিয়ে। পুৰোহিতে নিজেই শিশুটিৰ হাতত ধৰি এটি বা একাধিক বৰ্ণ লিখি দি শিশুটিৰ মংগল কামনা কৰাৰ লগতে সৰস্বতী দেৱীয়ে কল্যাণ কৰাৰ বাবে মংগলময়ৰ ওচৰত প্ৰাৰ্থনা জনায়। আনুষ্ঠানিকতা শেষ হোৱাৰ পিচতেই শিশুটিৰ অভিভাৱকে পুৰোহিতক যথাবিহিত দান-দক্ষিণাৰে সেৱা সৎকাৰ কৰে। উপস্থিত ইষ্ট কুটুম্বসকলকো বিভিন্ন প্ৰকাৰে আপ্যায়ন কৰে। তেওঁলোকে শিশুটিক আশীৰ্বাদ প্ৰদান কৰে। এই বিদ্যাৰম্ভ সংস্কাৰে প্ৰাচীন কালৰেপৰা যে- হিন্দু সমাজত শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত এক অপৰিহাৰ্য সংস্কাৰ আছিল এই কথাকে প্ৰমাণিত কৰে।



## ছবি আঁকো আহা

১ ৰ পৰা ৫৪ লৈ থকা বিন্দুবোৰ সংযোগ কৰি ছবিখনত সম্পূৰ্ণকৈ ৰং ভৰোৱা।

গল্প

# এৰৈকেশ শতিকাৰ ভূত

সেইদিনা ৰাজুয়ে উদাস মনেৰে বিদ্যালয়ৰ পৰা ঘৰলৈ উভতি আহিছিল। প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ প্ৰত্যেকবাৰে প্ৰথম স্থান পোৱা ৰাজুই এইবাৰ কোনোমতেহে উত্তীৰ্ণ হৈছিল। কেৱল এয়াই কাৰণ হ'লেটো ইমান চিন্তাৰ কথাই নাছিল। কিন্তু সি দৌৰ প্ৰতিযোগিতাটো বেয়াকৈ পিছপৰি ৰৈছিল। আকৌ বিদ্যালয়ত হোৱা স্বাস্থ্য নিৰীক্ষণৰ পৰাও প্ৰমাণ হ'ল যে তাৰ দৃষ্টিশক্তিও কমি গৈছে। এইবোৰ কাৰণৰ বাবে সি বেয়াকৈ ভয় খালে। মাকে তাৰ অৱস্থা আৰু ফলাফল দেখি ভীষণ চিন্তাত পৰিল। সন্ধিয়া দেউতাক ঘৰলৈ আহোতে মাকে ক'লে - চাওঁকচোন, আমাৰ ৰাজুৰ একেলগে এইবোৰ কি হ'ল ! নিশ্চয় তাৰ ওপৰত কাৰোবাৰ বেয়া নজৰ লাগিছে। নজৰৰ কথা শুনি দেউতাকে হাঁহিলে যদিও ৰাজুৰ বেমাৰ আৰু মৰহি যোৱা মুখখন দেখি চিন্তিত হ'ল আৰু ততালিকে তাক ওচৰৰ ডাঃ জ্ঞান চাহাবৰ কাষলৈ লৈ গ'ল। ডাক্তৰে বেজী দিয়াৰ কথা কল্পনা কৰি ৰাজুৱে বৰ ভয় খালে।

ডাঃ চাহাবে আটাইখিনি কথা ভালদৰে শুনিলে। ৰাজুৰ পৰা ডাক্তৰে তাৰ প্ৰতিদিন কৰা কাৰ্যৰ তালিকা জনাৰ পিচত ৰাজুৰ দেউতাকক ক'লে "ভাই, ৰাজুৰ কোনো বেমাৰ নাই। কিন্তু তাৰ ওপৰত ভূতৰ ছায়া আছে, সেইকাৰণে সি প্ৰতিটো ক্ষেত্ৰতে দুৰ্বল হৈ পৰিছে আৰু ক্ৰমান্বয়ে অস্থিৰ হৈ গৈ আছে।" ডাঃ চাহাবৰ কথা শুনি ৰাজুৰ দেউতাক আচৰিত হ'ল আৰু ক'লে- "কি ? ক'ত ভূতৰ ছায়া ? আচৰিত, আপুনি ডাক্তৰ হৈও অন্ধবিশ্বাসবোৰ প্ৰচাৰ কৰি আছে। এইটো একেবাৰে ভাল কথা হোৱা নাই।" ডাঃ চাহাবে হাঁহি হাঁহি ক'লে - "হেৰ, ইয়াত অন্ধবিশ্বাসৰ কথা কি আছে, মই আপোনাক প্ৰত্যক্ষভাৱে দেখুৱাব পাৰো। **এইটো কোনো সাধাৰণ ভূত নহয়, এৰৈকেশ শতিকাৰ ভূত আৰু কেৱল ৰাজুৰ ওপৰতে নহয় কোটি কোটি ল'ৰা-ছোৱালীৰ ওপৰত ইয়াৰ ছায়া আছে"।**

সেইখিনি সময়তে ভূত দেখুওৱাৰ কথা শুনি ৰাজু আতংকিত হৈ দেউতাকক সাৱটি ধৰিলে। বাপেক-পুতেকৰ অৱস্থাটো দেখি ডাঃ চাহাবে ক'লে, "ভয় কৰিব নালাগে। এই ভূত ইতিমধ্যে সকলোৰে ঘৰে-ঘৰে প্ৰৱেশ কৰিছে। আমাৰ ঘৰত ইয়াৰ ওপৰত নিয়ন্ত্ৰণ ৰাখি থৈছো, কিন্তু আপোনাৰ ঘৰত সেই ভূতটোৱে সদায়ে অনিয়ন্ত্ৰিত ভাৱে ঘূৰি ফুৰিছে"। "ডাক্তৰ চাহাব, কি কথা এইবোৰ। অলপ খুলি কওঁকচোন" - ৰাজুৰ দেউতাকে অধীৰ হৈ সুধিলে। তেতিয়া ডাঃ চাহাবে কোঠাটোৰ ভিতৰত থকা টি.ভি. আৰু ভি.চি.ডি. প্লেয়াৰৰ ফালে ইংগিত দি ক'লে - **"এয়াই হৈছে এৰৈকেশ শতিকাৰ ভূত, যিয়ে শান্ত-শিষ্ট ল'ৰা-ছোৱালীক নিজৰ অধীন কৰি লৈছে"।**

এতিয়াহে ৰাজুৰ দেউতাকে এৰৈকেশ শতিকাৰ ভূতৰ ছায়াৰ কথাটো বুজি পালে। ঘৰত কেবুল, চেট টপ বক্স, ইণ্টাৰনেট অহাৰ লগে লগে ৰাজুৰ লিখা-পঢ়া, খেলা-ধূলা আটাইবোৰ শেষ হৈ গৈছে। তাক সকলো সময়তে টি.ভি., ভি.চি.ডি.ৰ ওচৰতে দেখা গৈছিল। মাক-দেউতাকেও তাক কোনো দিনে বাধা দিয়া নাছিল। কাৰণ তেওঁলোকেও প্ৰায়ে টি.ভি. চোৱাত ব্যস্ত হৈ থাকিছিল। গতিকে ইয়াৰ পৰিণাম এনেকুৱা বিষম হোৱাটো নিশ্চিত। ডাঃ চাহাবে ৰাজুক ক'লে- "ৰাজু, ডেকা-বুঢ়া সকলোকে মনোৰঞ্জনৰ আৱশ্যক। কিন্তু মনোৰঞ্জন এনেকুৱা হোৱা উচিত যাৰ দ্বাৰা আমি নতুন শিক্ষা লাভ কৰিব পাৰো। **মনোৰঞ্জনৰ অৰ্থ এয়া নহয় যে- আমি সকলো পাহৰি সময়-অসময়**

**নোহোৱাকৈ কেৱল টি.ভি ৰ লগতে লাগি থাকিম"।** ডাঃ চাহাবে মৰমেৰে ৰাজুৰ মূৰত হাত ফুৰাই আকৌ ক'লে - "এতিয়াটো তোমাৰ মূৰৰ পৰা একৈশ শতিকাৰ ভূতটো আঁতৰিল নহয়নে"? ৰাজুয়ে হয় বুলি কৈ ডাঃ চাহাবৰ কথা শুনি টি.ভি., ভি.চি.ডি চোৱা এৰি আগৰ দৰে পঢ়া-শুনা, খেলা-ধূলা আদি কৰাৰ সিদ্ধান্ত লৈ, সেই মতে আগবাঢ়ি সকলো দিশতে চমকপ্ৰদ সফলতা দেখুৱাবলৈ সক্ষম হ'ল। **যাৰফলত এতিয়া ৰাজু হৈ পৰিছে মাক-দেউতাক, প্ৰধানাচাৰ্য, আচাৰ্য-আচাৰ্যা সকলোৰে বাবে মৰমৰ পাত্ৰ আৰু দেশৰ উজ্বল ভবিষ্যৎ।**

## জানানে ? কিছুমান উল্লেখযোগ্য দিৱস-তিথি

| | | |
|---|---|---|
| ❋ | ৯ জানুৱাৰী | প্ৰবাসী ভাৰতীয় দিৱস। |
| ❋ | ২১ ফেব্ৰুৱাৰী | আন্তৰ্জাতিক মাতৃভাষা দিৱস। |
| ❋ | ২৮ ফেব্ৰুৱাৰী | ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস। |
| ❋ | ২১ মাৰ্চ | দিন-ৰাতি সমান দিন, নামিবিয়াৰ স্বাধীনতা দিৱস, বিশ্ব বন দিৱস, বিশ্ব বৰ্ণবৈষম্য নিবাৰণী দিৱস। |
| ❋ | ২১ মে' | সন্ত্ৰাসবাদ বিৰোধী দিৱস। |
| ❋ | ৩১ মে' | বিশ্ব ধূমপান বিৰোধী দিৱস। |
| ❋ | ৫ জুন | বিশ্ব পৰিৱেশ দিৱস, ছাৰ্বিয়াৰ মুক্তি দিৱস, ছিচিলিৰ স্বাধীনতা দিৱস। |
| ❋ | ২১ জুন | বছৰৰ আটাইতকৈ দীঘল দিন, বিশ্ব সংগীত দিৱস, বিশ্ব যোগ দিৱস। |
| ❋ | ১৫ অক্টোবৰ | বিশ্ব ছাত্ৰ দিৱস। ড০ কালামৰ জন্মদিন। |

## অখিল ভাৰতীয় সংস্কৃতি বোধ পৰিযোজনাৰ অন্তৰ্গত ছাত্ৰ-ছাত্ৰী, আচাৰ্য-আচাৰ্যাৰ মাজত ২০১৫বৰ্ষত অনুষ্ঠিত হোৱা ৰচনা প্ৰতিযোগিতাৰ ফলাফল

| | | | |
|---|---|---|---|
| **শিশু বৰ্গ** | প্ৰথম | ঃ শ্ৰী বহ্নিমান গগৈ | বি এল বেৰিয়া সৰস্বতী শিশু মন্দিৰ, ডিব্ৰুগড় |
| | দ্বিতীয় | ঃ শ্ৰী ভাৰ্গবী সোণোৱাল | বি এল বেৰিয়া সৰস্বতী শিশু মন্দিৰ, ডিব্ৰুগড় |
| | তৃতীয় | ঃ শ্ৰী ধ্ৰুৱজ্যোতি মজুমদাৰ | শংকৰদেৱ শিশু নিকেতন, ছমৰীয়া। |
| **বালক বৰ্গ** | প্ৰথম | ঃ শ্ৰী অনিৰ্বান দত্ত | বি এল বেৰিয়া সৰস্বতী শিশু মন্দিৰ, ডিব্ৰুগড় |
| | দ্বিতীয় | ঃ শ্ৰী প্ৰিয়ম নাথ | শংকৰদেৱ বিদ্যা নিকেতন, বিষ্ণুপথ |
| | তৃতীয় | ঃ শ্ৰী মিতুল কলিতা | শংকৰদেৱ শিশু নিকেতন, টিহু। |
| **কিশোৰ বৰ্গ** | প্ৰথম | ঃ শ্ৰী অভিজিৎ দাস | শংকৰদেৱ শিশু নিকেতন, টিহু। |
| | দ্বিতীয় | ঃ শ্ৰী অকুল গগৈ | শংকৰদেৱ শিশু নিকেতন, ডিমৌ। |

**আচাৰ্য/আচাৰ্যা** শ্ৰী উপাসনা তালুকদাৰ, টিহু, শ্ৰী বন্দিতা গোস্বামী, আমবাৰী, শ্ৰীৰীতালী শৰ্মা বৰঠাকুৰ, মিলনপুৰ, শ্ৰীমনমণি শৰ্মা, মিলনপুৰ, শ্ৰী বিভাৰাণী দাস, অভয়াপুৰী।

**এই খিনিতে সকলো প্ৰতিযোগীলৈ ধন্যবাদ জনালো।**

# শ্ৰদ্ধাঞ্জলি

- যোৱা ০৪/১১/২০১৫ তাৰিখে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ, উত্তৰ অসম প্ৰান্তৰ জ্যেষ্ঠ প্ৰচাৰক মধুকৰ লিময়ে দেৱৰ মুম্বাইৰ সংঘ কাৰ্যালয়ত পৰলোক প্ৰাপ্তি ঘটে।
- যোৱা ১৭/১১/২০১৫ তাৰিখে বিশ্ব হিন্দু পৰিষদৰ সংৰক্ষক তথা জ্যেষ্ঠ প্ৰচাৰক অশোক সিংহল দেৱৰ গুড়গাঁৱত দেহাৱসান ঘটে।
- যোৱা ২১/০৬/২০১৫ তাৰিখে শংকৰদেৱ শিশু নিকেতন, মেলামৰাৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি তথা মুখ্য উপদেষ্টা গঙ্গাধৰ শইকীয়াৰ বিয়োগ হয়।
- যোৱা ৩০/০৬/২০১৫ তাৰিখে শংকৰদেৱ শিশু নিকেতন, ভকচং লাওপানীৰ অংকুৰ শ্ৰেণীৰ ছাত্ৰ ৰাজেশ তেৰাং আৰু জিৰছ্ন টকবীৰ মৃত্যু হয়।
- যোৱা ০৩/০৭/২০১৫ তাৰিখে শংকৰদেৱ শিশু নিকেতন, হেক্ৰাৰ মুকুল শ্ৰেণীৰ ছাত্ৰী ভাৱনা বৈশ্যৰ মৃত্যু হয়।
- যোৱা ২৯/০৭/২০১৫ তাৰিখে শংকৰদেৱ শিশু নিকেতন, ছমৰীয়া সত্ৰৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ বাপন চক্ৰৱৰ্ত্তীৰ মৃত্যু হয়।
- যোৱা ০৭/০৯/২০১৫ তাৰিখে শংকৰদেৱ বিদ্যা নিকেতন, বিষ্ণুপথৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী বিপাঞ্চী বৰ্মনৰ শাৰীৰিক অসুস্থতাৰ হেতু আকস্মিক বিয়োগ হয়।
- যোৱা ১৩/০৯/২০১৫ তাৰিখে শংকৰদেৱ শিশু নিকেতন, বৰতলাৰ প্ৰতিষ্ঠাপক সম্পাদক তথা বৰ্ত্তমানৰ কোষাধ্যক্ষ ধনীৰাম মেধিৰ শাৰীৰিক অসুস্থতাৰ বাবে পৰলোক প্ৰাপ্তি ঘটে।
- যোৱা ১৬/০৯/২০১৫ তাৰিখে শিশু শিক্ষা সমিতি, অসমৰ অন্তৰ্গত নলবাৰী বিভাগৰ বিভাগ প্ৰমুখ শ্ৰী কুমুদ শৰ্মাৰ মাতৃ চাৰুবালা দেৱীৰ মৃত্যু হয়।
- যোৱা ১৬/০৯/২০১৫ তাৰিখে শংকৰদেৱ শিশু আৰু বিদ্যা নিকেতন, নলবাৰীৰ আচাৰ্য শ্ৰী প্ৰমোদ কুমাৰ দাসৰ মাতৃ তৰুলতা দাসৰ পৰলোক প্ৰাপ্তি ঘটে।
- যোৱা ০৮/১০/২০১৫ তাৰিখে শংকৰদেৱ শিশু নিকেতন, দেৱদেৱীৰ প্ৰতিষ্ঠাপক সভাপতি তথা ভূমিদাতা শিশিৰ কুমাৰ চক্ৰৱৰ্ত্তীদেৱৰ পৰলোক প্ৰাপ্তি ঘটে।
- যোৱা ২৯/১০/২০১৫ তাৰিখে শংকৰদেৱ শিশু নিকেতন, মেলামৰাৰ ভূমিদাতা ভোগেশ্বৰী শইকীয়া আৰু নিকেতনৰ দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ ৰুবুল কোঁৱৰৰ বিয়োগ হয়।

**উক্ত আটাইকেইগৰাকীৰ মৃত্যুত শিশু শিক্ষা সমিতি, অসমৰ অধিকাৰী, কাৰ্যকৰ্ত্তা তথা নিকেতনৰ সকলোৱে গভীৰ শোক প্ৰকাশ কৰি বিদেহী আত্মাৰ সদ্‌গতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।**

# স্বৰ্গীয় মধুজীৰ বিষয়ে দুআষাৰ

মাননীয় শ্ৰীমধুকৰ লিময়ে ০৪/১১/২০১৫ তাৰিখ বুধবাৰে বিয়লি বজাত মুম্বাইৰ পেৰলস্থিত ‘যশৱন্ত ভৱন’ সংঘ কাৰ্যালয়ত শেষ নিঃশ্বাস ত্যাগ কৰে। বিগত ৬৬ বছৰ ধৰি সংঘৰ প্ৰচাৰক ৰূপে অসমত সংঘ কাৰ্যৰ বীজ ৰোপন কৰা অন্যতম প্ৰচাৰক শ্ৰীমধুকৰ লিময়ে ১৯২৭ চনত মহাৰাষ্ট্ৰৰ পূৰ্ণগড় গাঁৱত মোমায়েকৰ ঘৰত জন্ম হয়। তেখেতৰ বাল্যকাল মুম্বাইত অতিবাহিত হয়। **পুণে বিশ্ববিদ্যালয়ৰ পৰা গণিতত স্নাতকোত্তৰ লাভ কৰি তেখেতে ১৯৪৯ চনত সংঘৰ প্ৰচাৰক ৰূপে অসমলৈ আহে।** তেখেতে প্ৰচাৰক হিচাবে নগাঁৱত নিজৰ প্ৰচাৰক জীৱন আৰম্ভ কৰি অসমৰ বিভিন্ন স্থানত ১৯৬৫ চনলৈ জিলা প্ৰচাৰক, বিভাগ প্ৰচাৰক, প্ৰান্ত বৌদ্ধিক প্ৰমুখ আদি দায়িত্ব পালন কৰি ১৯৬৬ চনত অসম প্ৰান্তৰ সহ প্ৰান্ত প্ৰচাৰকৰ দায়িত্ব লাভ কৰে। উল্লেখ্য যে — সেই সময়ত বৰ্তমানৰ অসম ক্ষেত্ৰই আছিল অসম প্ৰান্ত। অসম ক্ষেত্ৰ হোৱাৰ পিছত তেখেতে কিছু বছৰ অসম ক্ষেত্ৰ প্ৰচাৰ প্ৰমুখৰ দায়িত্ব পালন কৰে। ২০০৬ চনৰ পৰা মৃত্যুলৈকে মাননীয় মধুজী অসম ক্ষেত্ৰৰ কাৰ্যকাৰিণী সদস্যৰ দায়িত্ব পালন কৰি আহিছিল।

কাৰ্যকৰ্ত্তা নিৰ্মাণত মধুজীৰ অৱদান অতুলনীয়। অসমৰ বহু কাৰ্যকৰ্ত্তা প্ৰচাৰকৰ ওপৰত তেখেতৰ ব্যক্তিত্বৰ প্ৰভাৱ আছিল অপৰিসীম। অসমৰ সংঘকাৰ্যৰ উপৰিও মধুজীৰ সংঘ সাহিত্য প্ৰকাশৰ ক্ষেত্ৰত প্ৰভুত বৰঙণি আছে। অসম বহু ভাষা ভাষী ৰাজ্য। মধুজীয়ে এই জনগোষ্ঠীয় ভাষাবোৰৰ বিভিন্ন বিষয়ৰ কিতাপ প্ৰকাশ কৰি থৈ যায়। **অসমৰ সৰ্বমুঠ ১৯ টা ভাষাত তেখেতে এনে কিতাপ প্ৰকাশ কৰিছে।** এই কিতাপ সমূহৰ প্ৰকাশত মধুজীৰ পৰিশ্ৰম আছিল অকল্পনীয়। নিৰ্দিষ্ট ভাষাবোৰত অনুবাদ কৰোৱাৰ পৰা আৰম্ভ কৰি বৰ্ণশুদ্ধি চোৱা, ছপা কৰি উলিওৱালৈকে সকলো কাম মধুজীয়ে নিজে চোৱা-চিতা কৰিছিল। সৰ্বমুঠ ১০০ খন কিতাপ মধুজীয়ে প্ৰকাশ কৰিছিল।



১৯৬০ চনত গুৱাহাটীৰ পৰা অসমীয়া ভাষাত সাপ্তাহিক আলোক কাকত প্ৰকাশ কৰাৰ ব্যৱস্থা কৰা হয়। এই কাকতখনৰ প্ৰকাশৰ সকলোবোৰ সমস্যা সমাধানৰ অংশীদাৰ হৈছিল মধুজী। সুদীৰ্ঘ ৩৬ বছৰ কাল আলোকৰ সকলো কামত মধুজী সক্ৰিয় ভাৱে জড়িত হৈছিল।

সমস্যা জৰ্জৰ অসমৰ অস্থিৰ সময়বোৰত মধুজীৰ আদৰ্শই স্বয়ংসেৱক সকলক সংঘৰ কামত অবিচল থাকি অবিৰত ভাৱে কাম কৰি যোৱাৰ প্ৰেৰণা যোগাইছিল। ১৯৪৮ চনৰ গান্ধী হত্যাৰ অপযশ, ১৯৬২ চনৰ চীনৰ আক্ৰমণ, ১৯৬১-১৭ চনৰ ভাষা আন্দোলন, ১৯৭৯ চনৰ বিদেশী বহিষ্কাৰ আন্দোলন, বিচ্ছিন্নতাবাদীৰ সন্ত্ৰাসবাদী কাৰ্য্যকলাপ আদিৰ দৰে বিষম পৰিস্থিতিত মধুজীয়ে অসমৰ সমাজ জীৱন আৰু স্বয়ংসেৱক সকলক যথাৰ্থ মাৰ্গদৰ্শন কৰিছিল।

১৯৪৯ চনত ২২ বছৰ বয়সতে অসমলৈ অহা মধুজী সুদীৰ্ঘ ৬৬ বছৰ কাল অসমত থাকি অসমৰ সমাজ জীৱনত এক গভীৰ প্ৰভাৱ পেলাই থৈ গ’ল। মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৮৮ বছৰ।

# মহিলা সমন্বয়

শ্ৰী অনিমা শৰ্মা
সহঃ মন্ত্ৰী, বিদ্যা ভাৰতী

প্ৰাচীন কালৰ পৰাই ঘৰখনকেই সকলো মহিলাই নিজৰ কৰ্মক্ষেত্ৰ হিচাবে স্বীকৃতি দি আহিছে। কিন্তু সময়, পৰিৱেশ, পৰিস্থিতি আৰু পৰিৱৰ্ত্তনৰ লগে লগে জীৱন শৈলীৰ ওপৰতো পৰিৱৰ্ত্তনৰ প্ৰভাৱ পৰিছে। এতিয়াৰ গৃহিণী কেৱল গৃহিণীয়েই নহয় বৰঞ্চ আৰ্থিক উপাৰ্জনকে ধৰি সামাজিক, ৰাজনৈতিক ইত্যাদি বিভিন্ন ক্ষেত্ৰত ঘৰৰ বাহিৰতো কাম কৰিবলৈ ওলাই আহিছে আৰু পুৰুষৰ সমানে সমানে কাম কৰাত সফলো হৈছে। কিন্তু মহিলাৰ প্ৰতি দৃষ্টিভঙ্গী সমাজৰ অধিকাংশ লোকৰেই সলনি হোৱা নাই অথবা ক্ষেত্ৰ বিশেষে দৃষ্টিভঙ্গী অধিক বিকৃত হোৱাহে পৰিলক্ষিত হৈছে। শিশু অপহৰণ, কন্যা ভ্ৰূণ হত্যা, নাবালিকা ধৰ্ষণ, নাৰী নিৰ্য্যাতন, নাৰী ব্যৱসায় আদি সচৰাচৰ ঘটি থকা সামান্য ঘটনাত পৰিণত হৈছে । স্বতন্ত্ৰ ভাৰতৰ সংবিধানত মহিলাৰ পাৰিবাৰিক, সামাজিক, আৰ্থিক, শাৰীৰিক, মানসিক সুৰক্ষাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা ৰাখিছে যদিও সৰহভাগ মহিলাৰ এই সম্পৰ্কে ব্যৱহাৰিক জ্ঞানৰ অভাৱ। সেয়েহে মহিলা সকলক স্বাস্থ্য, সুৰক্ষা আৰু অধিকাৰ সম্পৰ্কে জ্ঞান লাভ কৰাবলৈ উপযুক্ত পৰিৱেশ ৰচনা কৰা আৰু এই সকলক মানসিক ভাৱে সৱল ৰূপত গঢ় দিবলৈ অনেক স্বেচ্চাসেৱী সংগঠনে অহৰহ প্ৰয়াস কৰি আছে। এনে সংগঠনবোৰৰ সহযোগত সমাজ আৰু দেশৰ প্ৰতি সেৱা আগবঢ়োৱা "মহিলা সমন্বয়" এক স্বেচ্চাসেৱী প্ৰভাৱী মহিলা সংগঠন।

ভাৰতীয় মহিলাই সন্মানসহ আৰু সুৰক্ষিত ৰূপত যাতে জীৱন নিৰ্বাহ কৰিব পাৰে, সন্তানক সু-সংস্কাৰ আৰু সু-শিক্ষা দিবলৈ সক্ষম হ'ব পাৰে তাৰ বাবে বিভিন্ন সহযোগী সংগঠনৰ মহিলা সকলৰ সমন্বয়ত বাৰ্ষিক কৰ্মশালাৰ আয়োজন কৰা হয়। এনে কৰ্মশালাতে যোৱা বছৰটোৰ খতিয়ান আৰু আগন্তুক বৰ্ষৰ কাৰ্য্যযোজনা প্ৰস্তুত হয়।

বৰ্ত্তমান বছৰৰ মহিলা সমন্বয়ৰ কৰ্মশালা ১২ ছেপ্তেম্বৰৰ পৰা ১৪ ছেপ্তেম্বৰলৈ কৰ্ণাবতী (আহমেদাবাদ), গুজৰাটত আয়োজিত হয়। কৰ্মশালাৰ নিৰ্দিষ্ট স্থান আছিল "প্ৰেৰণা পীঠ" পিৰেণা। বিষয় আছিল - শিশু বিকাশৰ অৱধাৰণা, সমস্যা আৰু সমাধান।

বিভিন্ন সহযোগী সংগঠনৰ লগত জড়িত - ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ২৭০ গৰাকী মহিলা প্ৰতিনিধিয়ে এই কৰ্মশালাত অংশগ্ৰহণ কৰিছিল। সমাপনকে ধৰি মুঠ ১০ টা সত্ৰত ১০ গৰাকী সমল ব্যক্তিয়ে ইয়াত অংশ গ্ৰহণ কৰি মাৰ্গদৰ্শন কৰে। আহল-বহল সভাগৃহৰ সন্মুখতে বিভিন্ন ৰঙৰ সমাবেশেৰে গৰ্ভাধানৰ পৰা আৰম্ভ কৰি মুঠ যোল্ল সংস্কাৰৰ নাম অংকিত আল্পনাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। উদ্বোধনী অনুষ্ঠানত গুজৰাটৰ মাননীয়া মুখ্যমন্ত্ৰী শ্ৰীযুতা আনন্দী বেন পেটেলে শিশু আৰু মহিলা সকলৰ উন্নয়ণৰ বাবে কৰা আদৰ্শনীয় কামৰ বিৱৰণ দাঙি ধৰে। শিশু আৰু মহিলাৰ স্বাস্থ্য আৰু সুৰক্ষাৰ বাবে ৰূপায়ণ কৰা বিভিন্ন আঁচনি সম্পৰ্কেও অৱগত কৰায়। 'বালগোকুলম' নামেৰে অনাথ আৰু গৃহহীন শিশুৰ আবাস আৰু বিদ্যালয়, কস্তুৰবা গান্ধী বালিকা বিদ্যালয়, গ্ৰামীণ মহিলা সুৰক্ষা সমিতি, কন্যা শিক্ষা যাত্ৰা, পুলিচ ছাত্ৰ কমিটি ইত্যাদি বৰ্তমান সক্ৰিয় ভাৱে কৰ্মৰত। সভাত ৰাষ্ট্ৰ সেৱিকা সমিতিৰ প্ৰমুখ সঞ্চালিকা মাননীয়া শান্তাক্কাজী, মহিলা সমন্বয়ৰ সংযোজিকা গীতা গুণ্ডেজীও উপস্থিত থাকি মাৰ্গদৰ্শন কৰে।

দ্বিতীয় সত্ৰত বিদ্যা ভাৰতীৰ পূৰ্বৰ ৰাষ্ট্ৰীয় শিশু বাটিকা সংযোজিকা আৰু বিদ্বৎ পৰিষদৰ সংযোজিকা ইন্দুমতী কাট্‌দাৰে "শিশুৰ শিক্ষা আৰু সংস্কাৰ"ৰ বিষয়ত বিস্তৃত বিৰৰণ আগবঢ়ায়।

"সামান্য স্থিতিত বালক" বিষয়ত গ্ৰামীণ বালক আৰু নগৰীয় বালক এই দুটা ভাগত প্ৰতিনিধি সকলে ভাগ কৰি চৰ্চা আগবঢ়ায়। গাওঁ অঞ্চলৰ ছাত্ৰ আৰু চহৰ অঞ্চলৰ ছাত্ৰৰ মাজত চকুত পৰা বিভিন্নতা সমূহ, ইয়াৰ কাৰণ আৰু প্ৰতিকাৰ আদিৰ ওপৰত প্ৰতিনিধি সকলে সুন্দৰ ভাৱে পৰামৰ্শ আগবঢ়ায়।

পিছৰ সত্ৰত মাননীয়া চাৰু তাইজীয়ে উত্তৰ পূৰ্বাঞ্চলৰ নাগাভূমিত সন্ত্ৰাসবাদত পৰিয়ালৰ ক্ষতি হোৱাত তেজস্বীনী ছাত্ৰী নিবাসত থাকিব লগীয়া হোৱা বালিকাৰ মানসিক অৱস্থাৰ বিষয়ে আঙুলিয়ায়। বালকৰ "আবেগিক বিকাশত পিতৃ-মাতৃৰ মৰম আৰু সান্নিধ্যৰ প্ৰয়োজনীয়তা" বিষয়ত তেখেতে ত্ৰিপুৰা, অসম আদি অঞ্চলৰ পৰা গৈ ছাত্ৰীনিবাসত থকা বালিকাৰ মনস্তাত্বিক গঠন সম্পৰ্কে উদাহৰণ সহ ব্যাখ্যা কৰে। "শাৰীৰিক ভাৱে অক্ষম বালক আৰু শিক্ষা" বিষয়ৰ ওপৰত ভাষণ ৰাখে মাননীয়া ইন্দুমতী ৰাওজীয়ে।

পঞ্চম সত্ৰত গুজৰাটৰ শিক্ষামন্ত্ৰী মাননীয়া বসুবেন ত্ৰিপাঠীজীয়ে শিক্ষানুষ্ঠানত নিজে ভ্ৰমণ তথা দৰ্শন কৰি শিক্ষা, শিক্ষক আৰু শিক্ষাৰ্থীৰ বুজ লোৱাৰ লগতে চৰকাৰী আঁচনিৰ কাৰ্য্যকৰণৰ শিক্ষা বিষয়ক বিভিন্ন কথা সাদৰি কৰে। Power Point সহ শ্ৰীমতী দত্তই "শিশু কালত ঘৰুৱা শিক্ষা সংস্কাৰ কেনে হোৱা উচিত" বিষয়ৰ ওপৰত বক্তব্য ৰাখি শিশুৰ আহাৰ-বিহাৰ আৰু আচৰণৰ বাবে কেনেধৰণে সতৰ্ক হোৱা উচিত ইত্যাদি ব্যাখ্যা কৰে।

ড০ শোভাজীয়ে "শিশু আৰু ন্যায়" শিতানত শিশুৰ প্ৰতি হোৱা অন্যায় আৰু অবিচাৰৰ বিৰুদ্ধে ন্যায় বিচাৰ আৰু সুৰক্ষাৰ বাবে Juvenillic Justice Act, Child Welfare Committee, Protection of Child against Sexual Offences ইত্যাদি ব্যৱস্থাৰ কথা উল্লেখ কৰে।

"বালশোষণ আৰু প্ৰতিকাৰ তথা চৰকাৰী ব্যৱস্থা" - বিষয়ত বাসন্তী দেশপাণ্ডে জীয়ে শিশুৰ শাৰীৰিক নিৰ্য্যাতন, শিশু শ্ৰমিক, আবেগিক নিৰ্য্যাতন, যৌন নিৰ্য্যাতন ইত্যাদিৰ প্ৰতিকাৰৰ বাবে ECCE (Early Childhood Care Education Centre for Child), CWC (Child Development Committee, 1098 Imergency Number ইত্যাদি সম্পৰ্কে অৱগত কৰায়।

শতাব্দী পাণ্ডেই পঢ়িবলৈ এৰি দিয়া, ঘৰৰ পৰা পলাই যোৱা, ভিক্ষাৰী ইত্যাদি শিশু/বালকক বিচাৰি ইয়াৰ মূলভূত কাৰণ বুজিবলৈ চেষ্টা কৰাৰ লগতে প্ৰতিকাৰৰ কামো কৰি আছে বুলি কিছু উদাহৰণ সহ বুজাই দিয়ে। তাৰোপৰি এনে বালক -বালিকাৰ থকা খোৱাৰ লগতে সময় অনুসৰি Street School ৰো ব্যৱস্থা কৰিছে আৰু প্ৰয়োজনীয় শিক্ষা প্ৰাপ্ত হোৱাৰ পাচত ৰুচি অনুযায়ী অভিনয়কে ধৰি বিভিন্ন দিশত নিয়োগ কৰিছে।

সমাপন সত্ৰত সহ সৰকাৰ্যবাহ মাননীয় কৃষ্ণগোপালজীয়ে কয় যে বৰ্ত্তমান Technological Activities বৃদ্ধি হোৱাৰ ফলত মগজুৰ কাম বৃদ্ধি পাইছে আৰু এনে কাৰণতে মানুহৰ হৃদয়ৰ কাম হ্ৰাস পাইছে। কেৱল পঢ়াতে মনোযোগ দিয়াৰ বাবে বৌদ্ধিক বিকাশ হয় ঠিকেই কিন্তু অন্য বিষয়বোৰ অসম্পূৰ্ণ হৈ ৰয়। অসম্পূৰ্ণ শিক্ষাৰ বাবে জীৱন পদ্ধতিৰ শিক্ষাৰ অভাৱ হোৱাৰ ফলত কেৱল নিজৰ বাহিৰে আনৰ কথা, সমাজৰ কথা, দেশৰ কথা আদি তেওঁলোকে নিজৰ কৰ্ত্তব্য আৰু দায়িত্বৰ ভিতৰত পৰে বুলি বিবেচনা কৰিব নোৱাৰে।

মহিলা সমন্বয়ৰ এই কৰ্মশালাত ভাগ লৈ বহুত কথাৰ সন্ধান পোৱা গ'ল। যিবোৰ আগতে চিন্তা কৰা নাছিলো। অতি সংক্ষিপ্ত ৰূপত পঢ়ুৱৈ সমাজৰ আগত তাৰে বিৰৰণ দাঙি ধৰিলো। এই বিষয়ত চিন্তা-চৰ্চা কৰিবলৈ আমাৰ মাতৃ ভাৰতীক আহ্বান জনালো।

**জয় বিদ্যা জয় সংস্কৃতি জয় ভাৰতমাতা**

# প্ৰান্তীয় কাৰ্যক্ৰম

## ইংৰাজী বিষয়ৰ আচাৰ্য প্ৰশিক্ষণ বৰ্গ

যোৱা ১৭ আগষ্টৰ পৰা ২৩ আগষ্ট, ২০১৫ তাৰিখলৈ শংকৰদেৱ শিশু কুঞ্জ, অম্বিকাগিৰি নগৰ, গুৱাহাটীত **ইংৰাজী বিষয়ৰ এটি প্ৰশিক্ষণ বৰ্গ** অনুষ্ঠিত হয়। বৰ্গত শিশু শিক্ষা সমিতি, অসমৰ অন্তৰ্গত নিকেতন সমূহৰ ৬২ গৰাকী ইংৰাজী বিষয়ৰ আচাৰ্য-আচাৰ্যাই শিক্ষণ সম্পৰ্কে প্ৰশিক্ষণ গ্ৰহণ কৰে। এই প্ৰশিক্ষণ বৰ্গত চেৰাৰ অৱসৰপ্ৰাপ্ত শৈক্ষিক বিষয়া স্বপন দুৱৰা, প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দয়ানন্দ পাঠক আদি বিশিষ্ট শিক্ষাবিদৰ লগতে কেইবাগৰাকীও সমল ব্যক্তিয়ে পাঠদান কৰি আচাৰ্য সকলক উক্ত বিষয়ৰ জ্ঞান প্ৰদান কৰে।

## প্ৰান্তীয় প্ৰধানাচাৰ্য প্ৰশিক্ষণ বৰ্গ ঃ

বিদ্যা ভাৰতীৰ শিক্ষা যোজনাত প্ৰধানাচাৰ্য আৰু উপ-প্ৰধানাচাৰ্যৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। প্ৰাধানাচাৰ্য সকলক কেন্দ্ৰ কৰিয়েই বিদ্যালয়ৰ সকলো ব্যৱস্থা পৰিচালিত হয়। সেয়েহে প্ৰধানাচাৰ্য সকলক প্ৰশাসনীয়, শৈক্ষিক, সাংগঠনিক, বিত্তীয় আৰু সংস্কাৰমূলক আদি বিষয়ত নিপুণ কৰাৰ উদ্দেশ্যে যোৱা ১৯ চেপ্তেম্বৰৰ পৰা ১৯অক্টোবৰলৈ শিশু শিক্ষা সমিতি, অসমৰ **প্ৰান্তীয় প্ৰধানাচাৰ্য প্ৰশিক্ষণ বৰ্গ** শংকৰদেৱ শিশু নিকেতন, গীতাশ্ৰম হোজাইত অনুষ্ঠিত হৈ যায়। এই প্ৰশিক্ষণ বৰ্গত মুঠ ৫২জন প্ৰধানাৰ্চাই প্ৰশিক্ষণ গ্ৰহণ কৰে। এই প্ৰশিক্ষণ বৰ্গত অখিল ভাৰতীয় প্ৰশিক্ষণ বিষয়ৰ সংযোজক মাননীয় ৰাজেন্দ্ৰ সিং বঘেল, বিদ্যা ভাৰতীৰ অখিল ভাৰতীয় সম্পাদক মাননীয় দিলীপ বেটকৰ, সাংগঠনিক সম্পাদক মাননীয় প্ৰকাশ চন্দ্ৰজী, বিদ্যা ভাৰতীৰ পূৰ্ব ক্ষেত্ৰৰ সাংগঠনিক সম্পাদক মাননীয় গোবিন্দ মহন্তকে ধৰি সংঘ আৰু বিদ্যা ভাৰতীৰ বহু কেইজন অধিকাৰীয়ে কালাংশ লৈ প্ৰধানাচাৰ্য সকলক বিভিন্ন বিষয়ৰ ওপৰত প্ৰশিক্ষণ দি উপকৃত কৰে।

## প্ৰান্তীয় জ্ঞান-বিজ্ঞান মেলা

ছাত্ৰ-ছাত্ৰী, আচাৰ্য-আচাৰ্যা তথা সমাজক বিজ্ঞান বিষয়ৰ প্ৰতি অধিক আগ্ৰহান্বিত কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে প্ৰান্তীয় জ্ঞান-বিজ্ঞান মেলা অনুষ্ঠিত কৰি অহা হৈছে। ইয়াৰ পৰা যথেষ্ট সুফলো পোৱা হৈছে। এই বেলিও যোৱা ২৬,২৭,২৮ আৰু ২৯ চেপ্তেম্বৰৰ তাৰিখে শংকৰদেৱ শিশু নিকেতন, হোজাই, গীতাশ্ৰমত **প্ৰান্তীয় জ্ঞান-বিজ্ঞান মেলাখন** অনুষ্ঠিত হৈ যায়। এই মেলাত ৮ টা বিভাগৰ পৰা ২৫৮ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু ৮০ গৰাকী আচাৰ্য-আচাৰ্যা মিলি মুঠতে ৩৩৮ গৰাকী উপস্থিত থাকে। এই জ্ঞান-বিজ্ঞান মেলাত বিভিন্ন প্ৰশ্ন মঞ্চ, বিজ্ঞান পত্ৰ বাচন, ব্যৱহাৰিক প্ৰতিযোগিতা, আচাৰ্য পত্ৰ প্ৰস্তুতি, বিজ্ঞান আৰ্হি প্ৰদৰ্শন আদি অনুষ্ঠিত হয়।

## প্ৰান্তীয় বিষয় প্ৰমুখ সকলৰ বৈঠক

যোৱা ০৩ অক্টোবৰ, ২০১৫ তাৰিখে শিশু শিক্ষা সমিতি, অসমৰ প্ৰদেশ কাৰ্যালয়ত বিভিন্ন বিষয়ৰ অধিক প্ৰগতি তথা উপযুক্ত ক্ৰিয়ান্বয়নৰ বাবে প্ৰান্তীয় বিষয় প্ৰমুখ সকলৰ এখন বৈঠক অনুষ্ঠিত হৈ যায়। বৈঠকত মুঠ ২০ গৰাকী বিষয় প্ৰমুখ উপস্থিত থাকে।

## প্ৰান্তীয় শাৰীৰিক বৰ্গ

যোৱা ১৩ ৰ পৰা ১৯ অক্টোবৰ, ২০১৫ তাৰিখলৈ শংকৰদেৱ শিশু নিকেতন, হোজাই, গীতাশ্ৰমত **প্ৰান্তীয় শাৰীৰিক বৰ্গ** অনুষ্ঠিত হৈ যায়। এই বৰ্গত ২৫ টা সংকুলৰ ৩৮ খন নিকেতনৰ পৰা আচাৰ্য ৩১ গৰাকী, আচাৰ্যা ৭ গৰাকী উপস্থিত থাকি শাৰীৰিক প্ৰশিক্ষণ লাভ কৰে।

## প্ৰধানাচাৰ্য বাৰ্ষিক যোজনা বৈঠক

আগন্তুক ২০১৬ শিক্ষা বৰ্ষৰ বাবে প্ৰতিটো বিভাগৰ **প্ৰধানাচাৰ্য বাৰ্ষিক যোজনা বৈঠক** অনুষ্ঠিত হৈ যায়। এই বৈঠকত শিক্ষাৰ লগতে সকলো দিশৰ অধিক প্ৰগতিৰ বাবে প্ৰান্তীয়, বিভাগ, সংকুল আৰু নিকেতন স্তৰত হ'ব লগীয়া সকলো কাৰ্যক্ৰমৰ যোজনা প্ৰস্তুত কৰা হয়। উল্লেখযোগ্য যে এই বৈঠকত এগৰাকী বা দুগৰাকী প্ৰান্তীয় কাৰ্যকৰ্ত্তা উপস্থিত থাকি মাৰ্গদৰ্শন কৰায়।

## ৰাজ্যিক বিদ্বৎ পৰিষদৰ আলোচনা চক্ৰ

যোৱা ২৯।১১।২০১৫ তাৰিখে 'কনকলাল বৰুৱা' অসম ৰাজ্যিক সংগ্ৰহালয় প্ৰেক্ষাগৃহত ৰাজ্যিক বিদ্বৎ পৰিষদ, শিশু শিক্ষা সমিতি, অসমৰ উদ্যোগত **"সমাজ গঠনত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভূমিকা আৰু বৰ্ত্তমান ইয়াৰ প্ৰাসংগিকতা"** শীৰ্ষক এখনি আলোচনা চক্ৰ অনুষ্ঠিত হৈ যায়। আলোচনা চক্ৰত সভাপতিত্ব কৰে ৰাজ্যিক বিদ্বৎ পৰিষদৰ সভাপতি শ্ৰী দ্বীজেন্দ্ৰ নাৰায়ণ গোস্বামীদেৱে। আলোচনা চক্ৰখন শিশু শিক্ষা সমিতি, অসমৰ মাননীয় সভাপতি ড০ নিৰ্মল বৰুৱাদেৱে মাধৱদেৱৰ গুৰু ভটিমাৰে শুভ উদ্বোধন কৰে আৰু আমাৰ জাতি গঠনত শংকৰদেৱৰ ভূমিকা সম্পৰ্কে এক তত্ত্বগধূৰ ভাষণ আগবঢ়াই। আলোচনা চক্ৰত আলোচক হিচাবে উপস্থিত থাকে বিশিষ্ট বুদ্ধিজীৱি, গৱেষক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পদ্মশ্ৰী ড০ লক্ষ্মীনন্দন বৰাদেৱ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড০ দীপ্তি ফুকন পাটগিৰি। আলোচকদ্বয়ে গুৰুজনাৰ কৰ্মৰাজি সম্পৰ্কে আলোকপাঠ কৰে। ৰাজ্যিক বিদ্বৎ পৰিষদৰ সংযোজক ড০ ৰমানন্দ দাসদেৱে উপস্থিত সকলোকে ধন্যবাদ জনায়। আলোচনা চক্ৰত প্ৰদেশ সমিতিৰ সাধাৰণ সম্পাদক শ্ৰীসদা দত্তকে ধৰি প্ৰদেশ সমিতি তথা বিদ্বৎ পৰিষদৰ বহু কেইগৰাকী বিষয়ববীয়া, সমল ব্যক্তি, আচাৰ্য-আচাৰ্যা মিলি প্ৰায় ডেৰ শতাধিক উপস্থিত আছিল।

## সংকুল আৰু নিকেতন সমূহত হোৱা কাৰ্যক্ৰম

**শিৱসাগৰ বিভাগ ঃ** যোৱা ২২/০৮/২০১৫ তাৰিখে শংকৰদেৱ বিদ্যা নিকেতন, চিৰিংচাপৰি, ডিব্ৰুগড়ত শিৱসাগৰ বিভাগৰ সংকুল সমূহৰ বালিকা শিক্ষা প্ৰমুখসকলৰ এখনি বৈঠক অনুষ্ঠিত হয়। বৈঠকত প্ৰান্তীয় বালিকা শিক্ষাৰ সহ প্ৰমুখ ময়ূৰাক্ষী দেৱী উপস্থিত থাকি শিৱসাগৰ বিভাগৰ পাঁচটা সংকুলৰ বালিকা প্ৰমুখ সকলক মাৰ্গদৰ্শন কৰে। তেওঁ সংকুল প্ৰমুখসকলক নিজ নিজ সংকুলৰ নিকেতন সমূহৰ দায়িত্বত থকা আচাৰ্যা সকলক লৈ এখন বৈঠক অনুষ্ঠিত কৰি সংকুল স্তৰত বালিকা সন্মিলন অনুষ্ঠিত কৰিবলৈ পৰামৰ্শ আগবঢ়ায়।

**যোৰহাট আৰু দেৰগাঁও সংকুল ঃ** যোৱা ১৪/০৯/২০১৫ তাৰিখে শংকৰদেৱ শিশু নিকেতন, গণকপুখুৰীত দেৰগাঁও আৰু যোৰহাট সংকুলৰ **বালিকা সন্মিলনখনি** অনুষ্ঠিত হয়। দুয়োটা সংকুলৰ প্ৰায় ৯৩ গৰাকী বালিকা উপস্থিত থকা সন্মিলনখনত বন্তি প্ৰজ্বলন কৰে অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী হিৰণ্য বৰাই। সন্মিলনত যোগাসন আৰু শাৰীৰিক শিকাই ৰাষ্ট্ৰ সেৱিকা সমিতিৰ গুৱাহাটী বিভাগৰ প্ৰচাৰিকা মামু দাস আৰু যোৰহাট বিভাগৰ শাৰীৰিক প্ৰমুখ পূৰৱী শৰ্মাই।

**সৰুপথাৰ সংকুল ঃ** যোৱা ১৭/০৯/২০১৫ তাৰিখে শংকৰদেৱ শিশু নিকেতন, বৰপথাৰত সৰুপথাৰ সংকুলৰ বালিকা শিক্ষাৰ এটি শিবিৰ অনুষ্ঠিত কৰে। মুঠ ৭৫ গৰাকী ছাত্ৰী আৰু ২১ গৰাকী আচাৰ্যাৰ উপস্থিতিত শিবিৰখনি বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে নিকেতনৰ প্ৰধানাচাৰ্য মনোজ বৰাই। অনুষ্ঠানটিত সৰুপথাৰ সংকুলৰ বালিকা শিক্ষা প্ৰমুখ মাননীয়া জোনাকী ৰায় গগৈয়ে সমাজত বালিকাসকলৰ গুৰুত্ব তথা বালিকা শিক্ষাৰ উদ্দেশ্য সম্পৰ্কে ভাষণ প্ৰদান কৰে।

**বঙাইগাঁও সংকুল ঃ** যোৱা ০৬/০৯/২০১৫ তাৰিখে শংকৰদেৱ শিশু নিকেতন, বিজনীত বঙাইগাঁও সংকুলৰ বালিকা সন্মিলনখনি অনুষ্ঠিত হৈ যায়। সন্মিলনত মুখ্য বক্তা হিচাবে উপস্থিত থাকি বালিকা শিক্ষাৰ বিষয়ে মাৰ্গদৰ্শন কৰে প্ৰান্তীয় বালিকা শিক্ষা প্ৰমুখ কল্যাণী ঠাকুৰীয়াই। সন্মিলনত বঙাইগাঁও সংকুলৰ মুঠ ৮ খন নিকেতনৰ পৰা ২৩৯ গৰাকী ছাত্ৰী, ৪০ গৰাকী আচাৰ্যা আৰু বিজনী নিকেতনৰ সম্পাদিকাৰ লগতে বঙাইগাঁও বিভাগৰ সহঃ বালিকা শিক্ষা প্ৰমুখ উপস্থিত থাকে।

**ধমধমা সংকুল ঃ** যোৱা ০৮/০৫/২০১৫ তাৰিখে ধমধমা সংকুলৰ আচাৰ্য সন্মিলনখন ৯১ গৰাকী আচাৰ্য-আচাৰ্যাৰ উপস্থিতিত শংকৰদেৱ শিশু নিকেতন, ঠালকুছিত অনুষ্ঠিত হয়। লগতে ৩১/০৮/২০১৫ তাৰিখৰ পৰা শংকৰদেৱ শিশু নিকেতন, ঠালকুছিৰ বাৰ্ষিক অধিবেশনখন ছয়দিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয় আৰু ০৫/০৯/২০১৫ তাৰিখে ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমী আৰু শিক্ষক দিৱসৰ লগত সংগতি ৰাখি সম্বৰ্দ্ধনা সভা অনুষ্ঠিত কৰা হয়। সভাত সভাপতিত্ব কৰে নিকেতন পৰিচালনা সমিতিৰ সভাপতি কৰুণা কান্ত শৰ্মাই।

**গোলকগঞ্জ সংকুল ঃ** যোৱা ২০/০৮/২০১৫ তাৰিখে শংকৰদেৱ শিশু নিকেতন, কালডোবাত গোলকগঞ্জ সংকুলৰ আচাৰ্য-আচাৰ্যাৰ সংগীত আৰু বন্দনাৰ এটি কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাখনিত বঙাইগাঁও বিভাগৰ সংগীত প্ৰমুখ দিলীপ শৰ্মাই সম্পূৰ্ণ সময় উপস্থিত থাকি দীপ স্তুতি, বন্দনা, প্ৰাৰ্থনা, ভাৰত বন্দনা, গায়ত্ৰী মন্ত্ৰ আৰু শান্তি পাঠ আদিৰ শুদ্ধ উচ্চাৰণ আৰু সুৰত গোৱাৰ অভ্যাস কৰে। সংকুলৰ ১০ খন নিকেতনৰ ৩২ গৰাকী আচাৰ্য-আচাৰ্যাই অংশ গ্ৰহণ কৰি কৰ্মশালাখনি সাফল্যমণ্ডিত কৰে।

**সোণাপুৰ সংকুল ঃ** যোৱা ২৩/০৫/২০১৫ তাৰিখে সোণাপুৰ সংকুলৰ বৈদিক গণিত বিষয়ৰ কৰ্মশালা এখনি শংকৰদেৱ শিশু নিকেতন, ক্ষেত্ৰীত অনুষ্ঠিত হয়। সংকুলৰ ৫ খন নিকেতনৰ গণিত বিষয়ৰ ১৮ গৰাকী আচাৰ্য-আচাৰ্যাই কৰ্মশালাত অংশ গ্ৰহণ কৰে। কৰ্মশালাত পদাধিকাৰী হিচাবে উপস্থিত থাকে পৰমানন্দ ডেকা, প্ৰান্তীয় বৈদিক গণিত প্ৰমুখ প্ৰফুল্ল চন্দ্ৰ দাস, প্ৰধানাচাৰ্য, শংকৰদেৱ শিশু নিকেতন, ৰহা; সংকুল প্ৰমুখ নৰেশ্বৰ দাস আৰু শংকৰদেৱ শিশু নিকেতন, কলংপাৰৰ প্ৰধানাচাৰ্য ৰিংকু দাস।

তাৰোপৰি যোৱা ২৭/০৫/২০১৫ তাৰিখে সোণাপুৰ সংকুলৰ আচাৰ্য ব্যক্তিত্ব বিকাশ সন্মিলনখনি সংকুলৰ ৮১ গৰাকী আচাৰ্য-আচাৰ্যাৰ উপস্থিতিত শংকৰদেৱ শিশু নিকেতন, সোণাপুৰত অনুষ্ঠিত হয়। সংকুলৰ আটাইকেইগৰাকী প্ৰধানাচাৰ্য লগতে গুৱাহাটী বিভাগৰ নিৰীক্ষক আশুতোষ বৰ্মন উপস্থিত থাকে।

**গোৱালপাৰা সংকুল ঃ** যোৱা ২৪/০৭/২০১৫ তাৰিখে দিনযোৱা কাৰ্যসূচীৰে গোৱালপাৰা সংকুলৰ নিকেতন সমূহৰ দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলৰ এখনি ছাত্ৰ শিবিৰ শংকৰদেৱ শিশু নিকেতন, গোৱালপাৰাত অনুষ্ঠিত হয়। শিবিৰত মুঠ ১০২ জন ছাত্ৰ-ছাত্ৰী আৰু ১৩ গৰাকী আচাৰ্য-আচাৰ্যা উপস্থিত থাকে। উক্ত শিবিৰত কেইবাগৰাকীও বিশিষ্ট তথা অভিজ্ঞ ব্যক্তিয়ে ছাত্ৰ-ছাত্ৰীসকলক ইংৰাজী, বিজ্ঞান আৰু গণিত বিষয় সম্পৰ্কে মাৰ্গদৰ্শন কৰায়।

## ব্যায়ামযোগ প্ৰতিযোগিতা

যোৱা ০৯/১১/২০১৫ তাৰিখে গুৱাহাটী বিভাগৰ অন্তৰ্গত ৬ টা সংকুলৰ মাজত ব্যায়ামযোগ প্ৰতিযোগিতা গুৱাহাটী, খানাপাৰা খেলপথাৰত অনুষ্ঠিত কৰা হয়। মুঠ ৯ টা দলে প্ৰতিযোগিতাত ভাগ লয়। প্ৰতিযোগিতা কাৰ্য্যক্ৰমৰ পতাকা উত্তোলন কৰে শংকৰদেৱ বিদ্যা নিকেতন, বিষ্ণুপথৰ পৰিচালনা সমিতিৰ সম্পাদক শ্ৰী সিদ্ধাৰ্থ দাসে। প্ৰতিযোগিতাত ক্ৰমে গুৱাহাটী সংকুল প্ৰথম, হাজো সংকুল, দ্বিতীয় আৰু সোণাপুৰ সংকুলে তৃতীয় স্থান অধিকাৰ কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাত ৫০০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে।

## ২০১৬ শিক্ষা বৰ্ষৰ বন্ধৰ তালিকা

| | | | |
|---|---|---|---|
| **জানুৱাৰী ঃ** | | | |
| ১৫-১৬ | শুক্র- শনি | মাঘ বিহু (মকৰ সংক্রান্তি) | (২) |
| ২৩ | শনি | নেতাজী জয়ন্তী | (১) |
| ২৬ | মঙ্গল | গণৰাজ্য দিৱস | (*) |
| **ফেব্রুৱাৰী** | | | |
| ১৩ | শনি | সৰস্বতী পূজা | (*) |
| ২২ | সোমবাৰ | চিলাৰায় দিৱস | (১) |
| **মার্চ** | | | |
| ৭ | সোম | মহা শিৱৰাত্রি | (১) |
| ১৪ | সোম | স্বামী ভাৰতী কৃষ্ণতীৰ্থ জয়ন্তী | (*) |
| ২৩-২৪ | বুধ-বৃহস্পতি | দৌলযাত্রা | (২) |

**বিশেষ দিন**

১ জানুৱাৰী ইংৰাজী নৱবৰ্ষ।

১২ জানুৱাৰী যুৱ দিৱস (স্বামী বিবেকানন্দৰ জন্ম জয়ন্তী)।

**নিকেতনত পাঠদান সহ পালন কৰিব**

জানুৱাৰী ১৭ ৰবিবাৰ

শিল্পী দিৱস

সীমিত / স্থানীয় বন্ধ - (যিকোনো ১ দিন)

**(প্ৰধানাচাৰ্যই সংকুল কেন্দ্ৰত আগতীয়াকৈ জনাব)**

জানুৱাৰী- ৩১- ৰবিবাৰ

মে-দাম-মেফি

ফেব্ৰুৱাৰী- ১৬- মঙ্গলবাৰ

কাৰবি দেহাল কাচেৰদ'ম

ফেব্ৰুৱাৰী- ১৭-বুধবাৰ

আলি-আই-লিগাং

মাৰ্চ- ২১- সোমবাৰ

বাথৌ পূজা

***চিন থকা দিনবোৰ নিকেতনত পালন কৰিব।**

## মাহিলি কাৰ্যযোজনা - ২০১৬

**জানুৱাৰী ঃ** আধ্যাত্মিক পৰিৱেশত নতুন শিক্ষা বৰ্ষ আৰম্ভ, আচাৰ্য ভাৰতী গঠন, দায়িত্ব বিভাজন, শিশু/ ছাত্ৰ ভাৰতী গঠন, স্বাস্থ্য পৰীক্ষা, আধাৰভূত বিষয়ৰ টোলী গঠন, গণতন্ত্ৰ দিৱসত ঘোষ প্ৰদৰ্শন আৰু পথ সঞ্চলন, শৈক্ষিক ভ্ৰমণ, আচাৰ্য ব্যক্তিত্ব বিকাশ কাৰ্যক্ৰম, নিকেতনৰ উদ্যোগত পিছপৰা গাঁও এখন পৰিদৰ্শন কৰি ল'ৰা-ছোৱালীৰ বাবে সংস্কাৰ কেন্দ্ৰ তথা নিৰক্ষৰ ব্যক্তিৰ বাবে স্বাক্ষৰ কেন্দ্ৰ স্থাপন কৰিব। ক্ষেত্ৰীয় সংস্কৃত আচাৰ্য প্ৰশিক্ষণ।

**ফেব্ৰুৱাৰী ঃ** জানুৱাৰী-ফেব্ৰুৱাৰী মাহত নতুন (ছাত্ৰী-ছাত্ৰী) অভিভাৱক সম্পৰ্ক, শিশু/ ছাত্ৰ ভাৰতী কৰ্মশালা, ইংৰাজী ভাষা প্ৰশিক্ষণ, নিকেতনৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ, সৰস্বতী পূজা, সৰস্বতী পূজাৰ এসপ্তাহ আগৰ পৰা পিছপৰা অঞ্চলৰ শিক্ষা প্ৰচাৰৰ নিধি সংগ্ৰহৰ বাবে ৫-১৩ ফেব্ৰুৱাৰী তাৰিখলৈ সমৰ্পণ নিধি সংগ্ৰহ অভিযান, ১৪-২১ ফেব্ৰুৱাৰী তাৰিখলৈ অখিল ভাৰতীয় সূৰ্য নমস্কাৰ সপ্তাহ, দিল্লীত অখিল ভাৰতীয় প্ৰধানাচাৰ্য সন্মিলন, ২২ মাতৃভাষা দিৱস।

**মাৰ্চ ঃ** প্ৰথম সপ্তাহত প্ৰথম গোট পৰীক্ষা, নিকেতনত শাৰীৰিক প্ৰদৰ্শন কাৰ্যক্ৰম, মাতৃ সন্মিলন, প্ৰান্তীয় ক্ৰীড়া সমাৰোহ, শিশু সভাত ভাষণ প্ৰতিযোগিতা, শ্ৰেণী অনুযায়ী বানান বা কুইজ প্ৰতিযোগিতা (অসমীয়া, ইংৰাজী)।
**বিঃদ্ৰঃ** প্ৰতি মাহৰ শেষৰ শনিবাৰে আচাৰ্য বিকাশ দিন (বৈঠক) অনুষ্ঠিত কৰি যোৱা মাহৰ সমীক্ষা আৰু আগন্তুক মাহৰ কাৰ্য নিৰ্দ্ধাৰণ কৰিব। বৈঠকত সকলো আচাৰ্য-আচাৰ্যা উপস্থিত থকাটো বাধ্যতামূলক।

**(বাকী মাহৰ বন্ধৰ তালিকা আৰু কাৰ্যযোজনা পিচৰ সংখ্যাত প্ৰকাশ পাব)**


প্ৰাথমিক বৃত্তি প্ৰাপ্ত ছাত্ৰ-ছাত্ৰী সকললৈ অভিনন্দন
শ্ৰী নৱজ্যোতি শৰ্মা
শ.শি.নি., দক্ষিণ কলাবাৰী
শ্ৰী হিয়া কাশ্যপ
শ.শি.নি., ছিপাঝাৰ
শ্ৰী কল্যাণী গোস্বামী
শ.শি.নি., ছিপাঝাৰ
শ্ৰী উপাসনা কলিতা
শ.শি.নি., গুৱালকুছি
শ্ৰী ৰৰষা দাস
শ.শি.নি., গুৱালকুছি
শ্ৰী আস্থা ভৰদ্বাজ
শ.শি.নি., বিলাসীপাৰা
শ্ৰী অমৰদ্বীপ সাহা
শ.শি.নি., বিলাসীপাৰা
শ্ৰী দিক্ষীতা দাস
শ.শি.নি., বাঘমাৰা
শ্ৰী কৃষ্ণা ৰয়
শ.শি.নি., বাঘমাৰা
শ্ৰী লুনা বড়ো
শ.শি.নি., বাঘমাৰা
ফ্ৰেড ভিক্টৰ দাস
শ.শি.নি., বাঘমাৰা
শ্ৰী নিখিল ডেকা
শ.শি.নি., ডোৰাকঁহৰা
শ্ৰী দিশান্ত ডেকা
শ.শি.নি., ডোৰাকঁহৰা
শ্ৰী প্ৰিয়াংশু চহৰীয়া
শ.শি.নি., আউলাচৌকা
শ্ৰী সমুজ্জ্বল কুমাৰ দলৈ
শ.শি.নি., আউলাচৌকা
শ্ৰী হৃতিময় বৰ্মন
শ.শি.নি., নিত্যানন্দ
শ্ৰী পাৰ্থ প্ৰতীম কলিতা
শ.শি.নি., টিহু
শ্ৰী কৌশিক ৰাজ বৰ্মন
শ.শি.নি., টিহু
শ্ৰী অমৃতা বৰ্মন
শ.শি.নি., টিহু
শ্ৰী হিমাংশু বৰা
শ.শি.বি.নি., বি. চাৰিআলি
শ্ৰী অম্লান বৰা
শ.শি.বি.নি., বি. চাৰিআলি
শ্ৰী পৱন নেৱাৰ
শ.শি.বি.নি., বি. চাৰিআলি
শ্ৰী প্ৰত্যুষ নিৰলা
শ.শি.বি.নি., বি. চাৰিআলি
শ্ৰী পৰিক্ষীত পৰাশৰ
শি.বি.নি., বি. চাৰিআলি
শ্ৰী নিষ্ঠা সাহা
শ.শি.বি.নি., বি. চাৰিআলি
শ্ৰী কৃষ্ণাক্ষী দাস
শ.শি.বি.নি., বি. চাৰিআলি
শ্ৰী বিন্দিয়া দাস
শ.শি.বি.নি., বি. চাৰিআলি
শ্ৰী নুপূৰ শইকীয়া
শ.শি.বি.নি., বি. চাৰিআলি
শ্ৰী আস্থা দেৱী
শ.শি.নি., হুগ্ৰাজুলি
শ্ৰী হিয়াশ্ৰী দাস
শ.শি.নি., বৰহুলা
শ্ৰী দেৱাশীষ ডেকা
শ.শি.নি., কলাইগাঁও
শ্ৰী জ্যোতিস্ময় ৰয়
শ.বি.নি., মাজবাট
শ্ৰী অশোক ছেত্ৰী
শ.বি.নি., মাজবাট
শ্ৰী সৌম্যদ্বীপ কাশ্যপ
শ.বি.নি., মাজবাট
শ্ৰী অনিৰ্বাণ দাস
শ.শি.নি., হৰিশিঙা
শ্ৰী দিপাংকৰ শইকীয়া
শ.শি.নি., হৰিশিঙা
শ্ৰী প্ৰীতিশা বৰা
শ. শি.নি, গহপুৰ
শ্ৰী প্ৰিয়ংকা হাজৰিকা
শ.শি.নি., হাবাজান
শ্ৰী উপলা শইকীয়া
শ.শি.নি., কলাবাৰী
শ্ৰী দীপিকা ভূঞা
শ.শি.নি., কলাবাৰী
শ্ৰী চিৰঞ্জীৱ গগৈ
শ.শি.নি., চন্দামাৰী



প্ৰধানাচাৰ্য প্ৰশিক্ষণ বৰ্গ - ২০১৫




ৰাজ্যিক বিদ্বৎ পৰিষদৰ আলোচনা চক্ৰৰ এটি দৃশ্য।



শংকৰদেৱ শিশু নিকেতন, বাগানপাৰাৰ ছোৱালী আবাস গৃহৰ আধাৰশিলা স্থাপনৰ এটি দৃশ্য।

প্ৰকাশক ঃ সাধাৰণ সম্পাদক, শিশু শিক্ষা সমিতি, অসম, গুৱাহাটী - ২৪
সম্পাদক ঃ শ্ৰী শশী প্ৰভা দাস। সহ-সম্পাদক ঃ শ্ৰী অজয় কুমাৰ বৰা, (অবৈতনিক)
যোগাযোগ ঃ ৯৮৬৪২৭২২৩৩ ■ website : www.vbassam.org ■ মুদ্ৰক ঃ ডি. ডি. এছোচিয়েটচ, গুৱাহাটী - ৯